रजिस्ट्री सं डी 221

Registered No.D 221
পঞ্জীয়ন নং ডি ২২১

सत्यमेव जयते

# भारत का राजपत्र
# THE GAZETTE OF INDIA
# ভাৰতৰ ৰাজপত্ৰ

असाधारण
**EXTRA ORDINARY**
অসাধাৰণ

भाग VI - अनुभाग 1
**PART VI - Section 1**
ভাগ ৬ - অনুভাগ ১

प्राधिकार से प्रकाशित
PUBLISHED BY AUTHORITY
প্ৰাধিকাৰৰ দ্বাৰা প্ৰকাশিত

**No. 1.] NEW DELHI, THURSDAY, SEPTEMBER 13, /22 BHADRA, 1934, (SAKA) [Vol : 7**
**নং ১ ] নতুন দিল্লী, বৃহস্পতিবাৰ, চেপ্তেম্বৰ ১৩, ২০১২/২২ ভাদ ১৯৩৪(শক) [খণ্ড ঃ ৭**

Separate paging is given to this part in order that it may be filed as a separate compilation.

## বিধি আৰু ন্যায় মন্ত্ৰালয়
### ( বিধান বিভাগ )

নতুন দিল্লী, ৪ এপ্ৰিল , ২০১১ /১৪ চ'ত ১৯৩৩ (শক)

(১) দি এণ্টি এপাৰ্থেদ (ইউনাইটেড নেইশ্বনচ্ ক্যান্‌ভেন্‌শ্বন ) এক্ট , ১৯৮১ (১৯৮১ৰ ৪৮)
(২) দি এণ্টি হাইয়্যাকিং এক্ট, ১৯৮২ (১৯৮২ৰ ৬৫)
(৩) দি টেকনল্যাযী ডি'ভে'ল্‌পমেণ্ট বোৰ্ড এক্ট, ১৯৯৫ (১৯৯৫ৰ ৪৪)
(৪) দি কেব্‌ল টেলিভিজ্যন্ নেটৱৰ্কচ্ (ৰেগুলেইশ্বন ) এক্ট, ১৯৯৬ (১৯৯৬ৰ ২৬)
(৫) দি আৰ্ব্বিট্ৰেশ্বন এণ্ড কনচিলিয়েশ্বন এক্ট, ১৯৯৬ (১৯৯৬ৰ ২৬)
(৬) দি টেলিক'ম ৰেগিউলেইট্যাৰী অ'থ'ৰিটি অৱ ইণ্ডিয়া এক্ট, ১৯৯৭ (১৯৯৭ৰ ২৪)
(৭) দি যীয়্যাগ্ৰাফিকেল ইন্‌ডিকেশ্চ্যন্‌চ অৱ গুডচ্ (ৰেজিচ্‌ট্ৰেইশ্বন এণ্ড প্ৰ্যাটেক্ শ্বন্ ) এক্ট, ১৯৯৯ (১৯৯৯ৰ ৪৮)

নিম্নলিখিত অসমীয়া অনুবাদ এতদ্বাৰা ৰাষ্ট্ৰপতিৰ প্ৰাধিকাৰাধীনে প্ৰকাশিত কৰা হৈছে আৰু প্ৰাধিকৃত পাঠ (কেন্দ্ৰীয় বিধি সমূহ)অধিনিয়ম, ১৯৭৩ ( ১৯৭৩ৰ ৫০ )ৰ ধাৰা ২ৰ খণ্ড (ক)ৰ অধীনত অসমীয়াত তাৰ প্ৰাধিকৃত পাঠ ৰূপে গণ্য কৰা হ'ব ।

# MINISTRY OF LAW AND JUSTICE

(Legislative Department)

New Delhi, Dated the 4th April 2011/14, chaitra 1933 (SAKA)
The Translations in Assamese of the following namely : -

1. The Anti-Apartheid (United Nations Convention) Act, 1981 (48 of 1981)
2. The Anti-Hijacking Act, 1982 (65 of 1982)
3. The Technology Development Board Act, 1995 (44 of 1995)
4. The Cable Television Networks (Regulation) Act, 1995 (7 of 1995)
5. The Arbitration and Conciliation Act, 1996 (26-of 1996)
6. The Telecom Regulatory Authority of India Act, 1997 (24 of 1997)
7. The Geographical Indications of Goods (Registration and protection) Act, 1999 (48 of 1999)

are hereby published under the authority of the President and shall be deemed to be the authoritative texts thereof in Assamese under clause (a) of Section 2 of the Authoritative Texts (Central laws Act, 1973 (50 of 1973).

# মধ্যস্থতা আৰু আপোচ অধিনিয়ম, ১৯৯৬

## ১৯৯৬ৰ সংখ্যা ২৬

[ ১৬ আগষ্ট, ১৯৯৬ ]

**ঘৰুৱা মধ্যস্থতা, আন্তঃৰাষ্ট্ৰীয় বাণিজ্যিক মধ্যস্থতা আৰু বৈদেশিক মধ্যস্থতা সংক্ৰান্তীয় বিচাৰৰ ৰায়, মধ্যস্থতাৰ সম্বন্ধত বিধি পৰিভাষিত কৰিবলৈ আৰু তাৰ সৈতে সম্পৰ্কিত তাত আনুষঙ্গিকৰ বিষয়বস্তুৰ কাৰণে একীকৃত আৰু সংশোধন কৰিবলৈ এখনি অধিনিয়ম।**

প্ৰস্তাৱনা।

যিহেতু আন্তঃৰাষ্ট্ৰীয় বাণিজ্যিক বিধিত যুক্তৰাষ্ট্ৰ আয়োগ (আনচাইট্ৰেল) ১৯৮৫ চনত আন্তঃৰাষ্ট্ৰীয় বাণিজ্যিক মধ্যস্থতাৰ ওপৰত আনচাইট্ৰেল আৰ্হিৰ বিধি গ্ৰহন কৰিছে ;

আৰু যিহেতু যুক্তৰাষ্ট্ৰৰ সাধাৰণ সভাই অনুমোদন কৰিছে যে মধ্যস্থতা প্ৰক্ৰিয়াসমূহৰ বিধিৰ সমতাৰ বাঞ্চনীয়তাৰ আৰু আন্তঃৰাষ্ট্ৰীয় বাণিজ্যিক মধ্যস্থ ব্যৱসায়তে বিনিৰ্দিষ্ট প্ৰয়োজনীয়তাৰ উদ্দেশ্যে দেশসমূহে উক্ত আৰ্হিৰ বিধিত সঠিক মত পোষণ কৰিছে;

আৰু যিহেতু আনচাইট্ৰেল যে আনচাইট্ৰেল আপোচৰ নিয়ম সমূহ ১৯৮০ত গ্ৰহন কৰিছে;

আৰু যিহেতু যুক্তৰাষ্ট্ৰৰ সাধাৰণ সভাই গোচৰবোৰত সেই নিয়মসমূহৰ ব্যৱস্থাৰ অনুমোদন কৰিছে য'ত আন্তঃৰাষ্ট্ৰীয় বাণিজ্যিক সম্বন্ধবোৰৰ ক্ষেত্ৰত এটা বিবাদৰ উদ্ভৱ হৈছে আৰু পক্ষসমূহে সেই বিবাদৰ সাহায্যৰ দ্বাৰা আপোচলৈ সৌহাৰ্য্যপূৰ্ণ নিষ্পত্তি বিচাৰে;

আৰু যিহেতু উক্ত বিধিৰ আৰ্হি আৰু নিয়মবোৰে অন্তঃৰাষ্ট্ৰীয় বাণিজ্যিক সম্বন্ধত উদ্ভৱ হোৱা বিবাদবোৰৰ উন্নত আৰু উপযুক্ত নিষ্পত্তিৰ বাবে সংযুক্ত বিধিক কাৰ্য্যপন্থাৰ স্থাপনত তাৎপৰ্য্যপূৰ্ণ বৰঙণি দিয়ে;

আৰু যিহেতু মধ্যস্থতা আৰু আপোচৰ সম্পৰ্কে পূৰ্বোক্ত বিধি আৰু নিয়মবোৰৰ আৰ্হি হিচাবত ৰাখি বিধি প্ৰণয়ন কৰিবলৈ সমীচন হয়।

ইয়াক ভাৰত গণৰাজ্যৰ সাতচল্লিশতম বৰ্ষত সংসদৰ দ্বাৰা নিম্নানুসাৰে অধিনিয়মিত কৰা হওঁক -

### প্ৰাৰম্ভিক

সংক্ষিপ্ত নাম, বিস্তাৰ আৰু প্ৰাৰম্ভণ।

১। (১) এই অধিনিয়মখনক মধ্যস্থতা আৰু আপোচ অধিনিয়ম, ১৯৯৬ নামেৰে অভিহিত কৰা হব।

(২) ই সমগ্ৰ ভাৰতলৈ বিস্তৃত হব ঃ

পৰন্তু ভাগবোৰ I, III আৰু IV কেৱল জম্মু আৰু কাশ্মীৰ ৰাজ্যলৈ বিস্তৃত হব যিমানদূৰ সেইবোৰ অন্তঃৰাষ্ট্ৰীয় বাণিজ্যিক মধ্যস্থতালৈ বা, যথাস্থিতি অন্তঃৰাষ্ট্ৰীয় বাণিজ্যিক আপোচলৈ সম্পৰ্কিত হয়।

**স্পষ্টীকৰণ** - এই উপধাৰাত অভিব্যক্তি ''অন্তঃৰাষ্ট্ৰীয় বাণিজ্যিক আপোচ'' ৰ ধাৰা ২ৰ উপধাৰা (১)ৰ খণ্ড (চ)ত ''অন্তঃৰাষ্ট্ৰীয় বাণিজ্যিক মধ্যস্থতা'' অভিব্যক্তি দৰে একে অৰ্থ হব এনে পৰিৱৰ্তন সাপেক্ষে যে তাত থকা ''মধ্যস্থতা'' শব্দৰ বাবে শব্দ ''আপোচ'' প্ৰতিষ্ঠাপিত কৰা হব।

(৩) ই এনে তাৰিখত বলবৎ হব যিদৰে কেন্দ্ৰীয় চৰকাৰে চৰকাৰী ৰাজপত্ৰত অধিসূচনাৰ দ্বাৰা নিয়ত কৰে।

## ভাগ - I

## মধ্যস্থতা

## অধ্যায় - I

## সাধাৰণ উপবন্ধ

পৰিভাষা সমূহ।

২। (১) এই ভাগত প্ৰসঙ্গত অন্যথা অপেক্ষিত নহলে ---

(ক) ''মধ্যস্থতা'' মানে স্থায়ী মধ্যস্থতা প্ৰতিষ্ঠানৰ দ্বাৰা প্ৰশাসিত হওঁকেই বা নহওঁকেই যিকোনো মধ্যস্থতা;

(খ) ''মধ্যস্থতা চুক্তি'' মানে ধাৰা ৭ত উল্লিখিত এটা চুক্তি;

(গ) ''মধ্যস্থতা সম্পৰ্কীয় অধিনিৰ্ণয়ে এটা অৰ্ন্তবৰ্ত্তী অধিনিৰ্ণয় অন্তৰ্ভুক্ত কৰে;

(ঘ) ''মধ্যস্থতা ন্যায়াধিকৰণ'' মানে একমাত্ৰ মধ্যস্থতাকাৰী বা মধ্যস্থকাৰীৰ এটা মণ্ডলী;

(ঙ) ''ন্যায়ালয়'' মানে এখন জিলাৰ মূল অধিকাৰিতাৰ মুখ্য চিভিল ন্যায়ালয় আৰু ই মধ্যস্থতাৰ বিষয়বস্তুৰ গঠন কৰা প্ৰশ্নবোৰৰ সিদ্ধান্ত কৰিবলৈ অধিকাৰিতা থকা ইয়াৰ সাধাৰণ মূল চিভিল অধিকাৰিতাৰ কাৰ্য্যকৰীকৰণত উচ্চ ন্যায়ালয়ক অন্তৰ্ভুক্ত কৰে যদি সেইটো গোচৰটোৰ বিষয়বস্তু হ'লহেতেন, কিন্তু এনে মুখ্য চিভিল ন্যায়ালয় বা ক্ষুদ্ৰ বিচাৰৰ বাবে যিকোনো ন্যায়ালয়ৰ নিম্ন শ্ৰেণী যিকোনো চিভিল ন্যায়ালয় অন্তৰ্ভুক্ত নকৰে।

(চ) ''অন্তঃৰাষ্ট্ৰীয় বাণিজ্যিক মধ্যস্থতা'' মানে বিধিক সম্বন্ধৰ সম্পৰ্কত উদ্ভৱ হোৱা বিবাদৰ সম্বন্ধত এটা মধ্যস্থতা, ই চুক্তি সম্পন্ন হওঁক বা নহওঁক, ভাৰতত বলবৎ বিধিৰ অধীনত বাণিজ্যিক হিচাবে বিবেচিত কৰা হয় আৰু য'ত পক্ষবোৰৰ অতি কমেও এটা -

(i) এজন ব্যক্তি যিজনে ভাৰতৰ যিকোনো দেশত এজন নাগৰিক বা স্বাভাৱিকতে বসবাস কৰে; বা

(ii) এটা নিগমিত নিকায় যিটো ভাৰতৰ ভিন্ন যিকোনো দেশত নিগমিতকৰণ হৈছে; বা

(iii) এটা কোম্পানী বা এটা সন্থা বা ব্যক্তিবোৰৰ এটা নিকায় যাৰ কেন্দ্ৰীয় পৰিকল্পনা আৰু নিয়ন্ত্ৰণ ভাৰতৰ ভিন্ন যিকোনো দেশত কাৰ্য্যকৰী কৰা হৈছে; বা

(iv) এখন বিদেশী চৰকাৰ;

(ছ) ''বিধিক প্ৰতিনিধি'' মানে এজন ব্যক্তি যিয়ে এজন মৃত ব্যক্তিৰ সম্পত্তি বৈধভাবে প্ৰতিনিধিত্ব কৰে, তাৰ যিকোনো ব্যক্তি অন্তৰ্ভুক্ত কৰে যিজনে এজন মৃত ব্যক্তিৰ সম্পত্তিত হস্তক্ষেপ কৰে আৰু য'ত এটা পক্ষই এটা প্ৰতিনিধিৰ চৰিত্ৰ হিচাবে কাম কৰে, যি ব্যক্তিৰ ওপৰত এনেদৰে কাৰ্য্য কৰা পক্ষৰ মৃত্যুত সম্পত্তি হস্তান্তৰ কৰা হয়;

(জ) ''পক্ষ'' মানে এটা মধ্যস্থতা চুক্তিৰ এটা পক্ষ।

পৰিসৰ।

(২) এই আদৰ্শ প্ৰয়োগ হ'ব য'ত মধ্যস্থতাৰ স্থান ভাৰতত হয়।

(৩) এই আদৰ্শ সম্প্ৰতি বলবৎ থকা যিকোনো বিধিক প্ৰভাৱিত নকৰিব যাৰ বলত কেতবোৰ বিবাদ মধ্যস্থতালৈ উপস্থাপন কৰিব পৰা নাযাব।

(৪) ধাৰা ৪০ৰ উপধাৰা (১)ৰ উপবন্ধৰ বাহিৰে এই ভাগ, ধাৰা সমূহ ৪১ আৰু ৪৩ সম্প্ৰতি বলবৎ থকা যিকোনো অন্য বিধানৰ অধীনত প্ৰত্যেক মধ্যস্থতালৈ প্ৰযোজ্য হ'ব যেনিবা এটা মধ্যস্থতা এটা মধ্যস্থতাৰ চুক্তিৰ অনুসৰণত আছিল আৰু যেনিবা সেই অন্য অধিনিয়মিতি এটা মধ্যস্থতা চুক্তি আছিল, তাৰ বাহিৰে যিমানদূৰ এই ভাগৰ উপবন্ধবোৰ সেই অন্য অধিনিয়মিতি বা তাৰ অধীনত প্ৰণীত যিকোনো নিয়মসমূহৰ সৈতে অসঙ্গত হয়।

(৫) উপধাৰা (৪)ৰ উপবন্ধবোৰৰ সাপেক্ষে আৰু সম্প্ৰতি বলবৎ থকা যিকোনো উপবন্ধিত

বিধিৰ ব্যতিৰেকে যিমানদূৰ বা ভাৰত আৰু অন্য যিকোনো দেশ বা দেশ সমূহৰ মাজত বলবৎ থকা অন্য যিকোনো চুক্তি, এই ভাগ সকলো মধ্যস্থতা আৰু তাৰ সৈতে সম্বন্ধিত কাৰ্য্যবাহী সমূহত প্ৰযোজ্য হব।

নিৰ্দেশসমূহৰ গঠন।

(৬) য'ত এই ভাগ, ধাৰা ২৮ৰ বাহিৰে, এটা নিৰ্দিষ্ট বিষয় নিৰ্দ্ধাৰণ কৰিবলৈ মুক্ত পক্ষবোৰক এৰি দিয়ে যে সেই স্বাধীনতাই সেই বিষয়ক নিৰ্দ্ধাৰণ কৰিবলৈ এটা প্ৰতিষ্ঠানক অন্তৰ্ভুক্ত কৰি যিকোনো ব্যক্তিক প্ৰাধিকৃত কৰিবলৈ পক্ষৰ অধিকাৰক অন্তৰ্ভুক্ত কৰিব।

(৭) এই ভাগৰ অধীনত এটা মধ্যস্থতামূলক অধিনিৰ্ণয়ক এটা ঘৰুৱা অধিনিৰ্ণয় হিচাবে বিবেচনা কৰা হব।

(৮) য'ত এই ভাগ -

(ক) সেই ঘটনালৈ নিৰ্দেশ দিব যে পক্ষবোৰ সম্মত হৈছে বা সেই সকলে সম্মত হব পাৰে; বা

(খ) অন্য যিকোনো ধৰণে পক্ষবোৰৰ এটা চুক্তিলৈ নিৰ্দেশ কৰিব পাৰে, যে সেই চুক্তিয়ে সেই চুক্তিত নিৰ্দেশিত যিকোনো মধ্যস্থতা নিয়মবোৰ অন্তৰ্ভুক্ত কৰিব।

(৯) য'ত এই ভাগ, ধাৰা ২৫ৰ খণ্ড (ক) বা ধাৰা ৩২ৰ উপধাৰা (২)ৰ খণ্ড (ক)ৰ ব্যতিৰেকে এটা দাবী নিৰ্দেশ কৰে, ই এটা প্ৰতিদাবীলৈ প্ৰযোজ্য হব আৰু য'ত ই এটা প্ৰতিৰক্ষালৈ নিৰ্দেশ হয়, ই সেই প্ৰতিদাবীৰ এটা প্ৰতিৰক্ষালৈ প্ৰযোজ্য হব।

লিখিত সংবাদৰ প্ৰাপ্তি।

৩। (১) পক্ষবোৰৰ দ্বাৰা অন্যথা সম্মত নহলে --

(ক) যিকোনো লিখিত সংবাদৰ প্ৰাপ্তি হিচাবে গণ্য কৰা হব যদি ইয়াক পত্ৰপ্ৰাপকলৈ ব্যক্তিগত ভাবে বা তেওঁৰ ব্যৱসায়ৰ স্থানত সাধাৰণতে থকা বাসস্থান বা পঠিওঁৱা ঠিকনাত পৰিদান কৰা হয়, আৰু

(খ) যদি এটা যুক্তিসঙ্গত তদন্ত কৰাৰ পাছত খণ্ড (ক)ত নিৰ্দেশিত স্থানবোৰ পোৱা নাযায়, এটা লিখিত সংবাদৰ প্ৰাপ্ত কৰা হিচাবে গণ্য কৰা হব যদি পত্ৰ প্ৰাপকৰ শেষত জ্ঞাত ব্যৱসায়ৰ স্থান, সাধাৰণতে থকা বাসস্থান বা পঠিওৱা ঠিকনালৈ পঞ্জীয়ন চিঠি বা অন্য যিকোনো প্ৰকাৰে পঠিওৱা হয়, যিয়ে ইয়াক পৰিদান কৰিবলৈ চেষ্টাৰ এটা নথি উপবন্ধিত কৰে।

(২) ইয়াক এনেদৰে প্ৰদান কৰা দিনত সংবাদটো প্ৰাপ্তি হিচাবে গণ্য কৰা হব।

(৩) এই ধাৰা যিকোনো ন্যায়িক প্ৰাধিকাৰীৰ কাৰ্য্যবাহীৰ সম্পৰ্কত লিখিত সংবাদলৈ প্ৰযোজ্য নহয়।

দাবী ত্যাগ কৰিবলৈ প্ৰতিবাদ।

৪। এটা পক্ষ যিয়ে জানে যে -

(ক) এই ভাগৰ যিকোনো উপবন্ধ য'ৰ পৰা পক্ষবোৰে লাঘৱ কৰিব পাৰে, বা

(খ) মধ্যস্থতা চুক্তিৰ অধীনত যিকোনো অপেক্ষাকৰণ,

পালন নকৰে আৰু তথাপিও সম্যক তৎপৰতা বিনা এনে পালন নকৰাৰ বাবে তেওঁৰ আপত্তি প্ৰতিবাদ নকৰাকৈ মধ্যস্থতা কৰিবলৈ অগ্ৰসৰ হয় অথবা যদিহে সময়ৰ পৰিসীমা, সময়ৰ সেই অৱধিৰ ভিতৰত সেই আপত্তি বৰ্ণনা কৰাৰ বাবে উপবন্ধিত হয়, এনে বিষয়ত তেওঁৰ অধিকাৰ পৰিত্যাগ কৰা বুলি গণ্য কৰা হব।

ন্যায়িক হস্ত-ক্ষেপৰ বিস্তাৰ।

৫।সম্প্ৰতি বলবৎ থকা যিকোনো অন্য বিধিত কোনো কথা থকা স্বত্বেও, এই ভাগৰ দ্বাৰা নিয়ন্ত্ৰণ কৰা বিষয়বস্তুসমূহত, এই ভাগৰ উপবন্ধিত ব্যতিৰেকে কোনো ন্যায়িক প্ৰাধিকাৰীয়ে হস্তক্ষেপ নকৰিব।

প্ৰশাসনিক সহায়তা।

৬। মধ্যস্থতা কাৰ্য্যবাহীসমূহৰ পৰিচালনা সুচল কৰিবলৈ, পক্ষবোৰে বা মধ্যস্থতা ন্যায়াধিকৰণ পক্ষবোৰৰ সন্মতি সহ, এটা উপযুক্ত অনুষ্ঠান বা ব্যক্তিৰ দ্বাৰা প্ৰশাসনিক সহায়তাৰ বাবে ব্যৱস্থা কৰিব পাৰে।

## অধ্যায় - II

## মধ্যস্থতা চুক্তি

মধ্যস্থতা চুক্তি।

৭। (১) এই ভাগত ''মধ্যস্থতা চুক্তি'' মানে পক্ষৰ দ্বাৰা মধ্যস্থতালৈ দাখিল কৰা সকলো বা কেতবোৰ বিবাদ যিটো পক্ষবোৰৰ দ্বাৰা এটা চুক্তি যিটো এটা পৰিভাষিত বিধিক সম্বন্ধৰ ক্ষেত্ৰত চুক্তিতেই হওঁক বা নহওঁক তেওঁলোকৰ মাজত উদ্ভৱ হয় বা উদ্ভৱ হব পাৰে।

(২) এটা মধ্যস্থতা চুক্তি এটা মধ্যস্থতা খণ্ড আকাৰত এটা চুক্তিত বা এটা পৃথক চুক্তিৰ আকাৰত গঠিত হব পাৰে।

(৩) এটা মধ্যস্থতা চুক্তি লিখিতভাৱে হব।

(৪) এটা মধ্যস্থতা চুক্তি লিখিত হয় যদি ই নিম্নলিখিতবোৰক ধাৰণ কৰে -

(ক) পক্ষবোৰৰ দ্বাৰা স্বাক্ষৰিত এখন দস্তাৱেজ;

(খ) চিঠি পত্ৰ সমূহ, টেলেক্স, টেলিগ্ৰাম বা টেলি সংবাদৰ অন্য উপায়সমূহৰ এটা বিনিময় যিয়ে চুক্তিৰ এটা নথি উপবন্ধিত কৰে; বা

(গ) দাবী আৰু প্ৰতিৰক্ষাৰ প্ৰবিৱৰণৰ এটা বিনিময় য'ত চুক্তি এটা স্থায়িত্ব এটা পক্ষৰ দ্বাৰা অভিযোগ কৰা হয় আৰু অন্যৰ দ্বাৰা অস্বীকাৰ কৰা নহয়।

(৫) এটা মধ্যস্থতা খণ্ড ধাৰণ কৰা এখন দস্তাৱেজৰ এটা চুক্তিৰ নিৰ্দেশ এটা মধ্যস্থ চুক্তি গঠন কৰে যদি চুক্তিটো লিখিত হয় আৰু নিৰ্দেশটো এনে হব যেন সেই মধ্যস্থতা খণ্ডই চুক্তিৰ অংশ প্ৰস্তুত কৰে।

য'ত এটা মধ্যস্থতা চুক্তি থাকে পক্ষবোৰক মধ্যস্থতা প্ৰেৰণ কৰিবলৈ ক্ষমতা।

৮।(১) এটা ন্যায়িক প্ৰাধিকাৰী যাৰ সন্মুখত এটা বিষয়বস্তুৰ ওপৰত এটা কাৰ্য্যব্যৱস্থা লোৱা হয় যিটো এটা মধ্যস্থতা চুক্তিৰ বিষয়বস্তু হয়, যদি এনেদৰে এটা পক্ষই আবেদন কৰে, বিবাদৰ বিষয়বস্তুৰ ওপৰত তেওঁৰ প্ৰথম প্ৰবিৱৰণ দাখিল কৰোতে তাৰ পাছত মধ্যস্থতা পক্ষবোৰক নিৰ্দেশ কৰিব।

(২) উপধাৰা (১) লৈ নিৰ্দেশিত আবেদন গ্ৰহনযোগ্য নহব যদি মূল মধ্যস্থতা চুক্তি বা তাৰ সঠিক প্ৰমাণিত নকলৰ দ্বাৰা পঠিওৱা নহয়।

(৩) উপধাৰা (১)ৰ অধীনত এখন আবেদন কৰা স্বত্বেও আৰু বিচাৰ্য্য বিষয়টো এটা ন্যায়িক প্ৰাধিকাৰীৰ ওচৰত লম্বিত হৈ আছে, এটা মধ্যস্থতা আৰম্ভ কৰিব পৰা যায়, বা চলি থাকিব পৰা যায় আৰু মধ্যস্থতা অধিনিৰ্ণয় দিব পৰা যায়।

ন্যায়ালয়ৰ দ্বাৰা দিয়া অৰ্ন্তৱতী-কালীন উপায়, ইত্যাদি।

৯।এটা পক্ষই, মধ্যস্থতা কাৰ্য্যবাহীৰ আগত বা চলি থাকোতে বা এটা মধ্যস্থতা অধিনিৰ্ণয় দিয়াৰ পাছত যিকোনো সময়ত কিন্তু ধাৰা ৩৬ৰ অনুসৰি ইয়াক বলবৎ হোৱাৰ পাছত, এখন ন্যায়ালয়লৈ আবেদন কৰিব পাৰে -

(i) এজন নাবালকৰ বা এজন মানসিক বিকাৰগ্ৰস্ত ব্যক্তিৰ মধ্যস্থতা কাৰ্য্যবাহীসমূহৰ বাবে এজন অভিভাৱকৰ নিযুক্তিৰ বাবে; বা

(ii) নিম্নলিখিত বিষয়বস্তু সমূহৰ যিকোনোৰ সম্পৰ্কত সংৰক্ষণৰ এটা অৰ্ন্তৱতীকালীন উপায়ৰ বাবে; যেনে ঃ-

(ক) কোনো সামগ্ৰীৰ অধিৰক্ষণ, অৰ্ন্তৱতীকালীন অভিৰক্ষা বা বিক্ৰী, যিবোৰ মধ্যস্থতা চুক্তিৰ বিষয়বস্তু হয়;

(খ) মধ্যস্থতাত বিবাদৰ ধনৰাশিৰ ৰক্ষাকৰণ;

(গ) সম্পত্তি বা বস্তুৰ অভিৰক্ষণ, আৰু ৰক্ষণ বা পৰিদৰ্শন যিটো মধ্যস্থতা বিবাদৰ বিষয়বস্তু হয়, বা যালৈ যি কোনো তাত প্ৰশ্নৰ উদ্ভৱ হয় আৰু পূৰ্বোক্ত উদ্দেশ্যসমূহৰ যিকোনোৰ বাবে প্ৰাধিকৃত কৰি যিকোনো ব্যক্তিয়ে কোনো ভূমি বা গৃহৰ অধিকাৰ কৰা যিকোনো অংশত প্ৰবেশ কৰে বা যিকোনো নমুনা সমূহ সংগ্ৰহ কৰিবলৈ প্ৰাধিকৃত কৰে বা যিকোনো নিৰীক্ষণ কৰিবলৈ, বা পৰীক্ষা কৰিবলৈ, যিটো সম্পূৰ্ণ

সন্দেহ বা সাক্ষী পোৱাৰ উদ্দেশ্যৰ বাবে আৱশ্যক বা যুক্তিযুক্ত হব পাৰে;

(ঘ) অন্তৰ্বৰ্তীকালীন নিষেধাজ্ঞা বা এজন প্ৰাপকৰ নিযুক্তি;

(ঙ) সংৰক্ষণৰ অন্য এনে অন্তৰ্বৰ্তীকালীন উপায় যেনেদৰে ন্যায়ালয়লৈ সঠিক আৰু সুবিধাজনক বিবেচিত হয়,

আৰু ন্যায়ালয়ৰ ইয়াৰ সম্মুখত যিকোনো কাৰ্য্যবাহীবোৰৰ সম্পৰ্কত আৰু উদ্দেশ্যবোৰৰ বাবে এনে আদেশবোৰ কৰিবলৈ সেই একে ক্ষমতা থাকিব।

## অধ্যায় - III

### মধ্যস্থতা ন্যায়াধিকৰণৰ গঠন

মধ্যস্থতাকাৰীৰ সংখ্যা।

১০। (১) পক্ষবোৰৰ মধ্যস্থতাকাৰীৰ সংখ্যা নিৰ্দ্ধাৰণ কৰিবলৈ মুক্ত হব, পৰন্তু এনে সংখ্যা এটা ভাৰ্য্য হোৱা সংখ্যা নহব।

(২) উপধাৰা (১)ত নিৰ্দেশিত নিৰ্ণয় অসফল হোৱাত, স্বেচ্ছাচাৰী ন্যায়াধিকৰণ একক মধ্যস্থৰে গঠিত হব।

মধ্যস্থতাকাৰীৰ নিযুক্তি।

১১। (১) যিকোনো জাতীয় স্বভাৱৰ এজন ব্যক্তি এজন মধ্যস্থতাকাৰী হব পাৰে, যদি পক্ষবোৰৰ দ্বাৰা অন্যথা সম্মত নহয়।

(২) উপধাৰা (৬)ৰ সাপেক্ষে, পক্ষসমূহে মধ্যস্থতাকাৰী বা মধ্যস্থতাকাৰীসকলৰ নিযুক্তিৰ বাবে এটা পদ্ধতিৰ ওপৰত সম্মত হবলৈ মুক্ত থাকিব।

(৩) উপধাৰা (২)ত নিৰ্দেশিত যিকোনো চুক্তিৰ তিনিজন মধ্যস্থতাকাৰীৰ সৈতে এটা মধ্যস্থতাত কোনো চুক্তি কৰাৰ অসফলতাত প্ৰত্যেক পক্ষই এজন মধ্যস্থতাকাৰী নিযুক্ত কৰিব, আৰু দুজন নিযুক্ত মধ্যস্থতাকাৰীয়ে তৃতীয়জন মধ্যস্থতাকাৰী নিযুক্ত কৰিব যিজনে সভাপতিত্ব কৰা মধ্যস্থতাকাৰী হিচাবে কাৰ্য্যনিৰ্বাহ কৰিব।

(৪) যদি উপধাৰা (৩)ত নিযুক্তি প্ৰক্ৰিয়া প্ৰয়োগ হয় আৰু -

(ক) অন্য পক্ষৰ পৰা এনেদৰে কৰিবলৈ এটা অনুৰোধ প্ৰাপ্তিৰ ত্ৰিশ দিনৰ ভিতৰত এটা পক্ষই এজন মধ্যস্থতাকাৰী নিযুক্তি কৰিবলৈ অসফল হয়; বা

(খ) তেওঁলোকৰ নিযুক্তিৰ তাৰিখৰ পৰা ত্ৰিশ দিনৰ ভিতৰত নিযুক্ত দুজন মধ্যস্থতাকাৰীয়ে তৃতীয় মধ্যস্থতাকাৰীজনৰ লগত সম্মত হোৱাত অসফল হয়,

এটা পক্ষৰ অনুৰোধত মুখ্য ন্যায়াধীশ বা তেওঁৰ দ্বাৰা মনোনীত যিকোনো ব্যক্তি বা প্ৰতিষ্ঠানৰ দ্বাৰা নিযুক্তি দিয়া হব।

(৫) উপধাৰা (২)ত নিৰ্দেশিত যিকোনো চুক্তিৰ অসফলতাত, এজন মধ্যস্থতাকাৰীৰ সৈতে এটা মধ্যস্থতাত যদি পক্ষবোৰে এটা অনুৰোধ প্ৰাপ্তিৰ ত্ৰিশ দিনৰ ভিতৰত মধ্যস্থতাকাৰীৰ ওচৰত সম্মত হবলৈ এটা পক্ষই আন এটা পক্ষৰ পৰা অসফল হয়, তেতিয়া নিযুক্তিটো, এটা পক্ষৰ অনুৰোধত মুখ্য ন্যায়াধীশ বা তেওঁৰ দ্বাৰা মনোনীত যিকোনো ব্যক্তি বা প্ৰতিষ্ঠানৰ দ্বাৰা কৰা হব।

(৬) য'ত, পক্ষবোৰৰ দ্বাৰা সম্মত হোৱা এটা নিযুক্তি পদ্ধতিৰ অধীনত --

(ক) এটা পক্ষই সেই পদ্ধতিৰ অধীনত অপেক্ষিত ধৰণে কাৰ্য্য কৰিবলৈ অসফল হয়; বা

(খ) পক্ষবোৰ, বা নিযুক্ত দুজন মধ্যস্থতাকাৰীয়ে, সেই পদ্ধতিৰ অধীনত তেওঁলোকৰ পৰা আশা কৰা ধৰণে এটা চুক্তিত অগ্ৰসৰ হবলৈ অসফল হয়; বা

(গ) এজন ব্যক্তিয়ে এটা অনুষ্ঠান অন্তৰ্ভুক্ত কৰি, সেই পদ্ধতিৰ অধীনত তেওঁৰ ওপৰত বা ইয়াৰ ওপৰত ন্যস্ত কৰা যিকোনো কাৰ্য্য সম্পাদন কৰিবলৈ অসফল হয়, এটা পক্ষই মুখ্য ন্যায়াধীশ বা তেওঁৰ দ্বাৰা নিৰ্দিষ্ট কৰা যিকোনো ব্যক্তি বা প্ৰতিষ্ঠানক আৱশ্যকীয় উপায় লবলৈ অনুৰোধ কৰিব পাৰে, যদি নিযুক্তি প্ৰক্ৰিয়াৰ ওপৰত চুক্তিয়ে নিযুক্তি কৰাৰ বাবে অন্য উপায় সমূহে উপবন্ধিত নকৰে।

(৭) উপধাৰা (৪) বা উপধাৰা (৫) বা উপধাৰা (৬)ৰ দ্বাৰা ন্যস্ত কৰা এটা বিষয়বস্তুৰ ওপৰত এটা সিদ্ধান্ত, মুখ্য ন্যায়াধীশ বা তেওঁৰ দ্বাৰা নিৰ্দিষ্ট কৰা যিকোনো ব্যক্তি বা প্ৰতিষ্ঠানৰ সিদ্ধান্ত চূড়ান্ত হব।

(৮) মুখ্য ন্যায়াধীশ বা ব্যক্তি বা তেওঁৰ দ্বাৰা নিৰ্দিষ্ট কৰা প্ৰতিষ্ঠানে, এনেদৰে মধ্যস্থতাকাৰী নিযুক্ত কৰোতে, নিম্নলিখিত সমূহলৈ সঠিক দৃষ্টি ৰাখিব --

(ক) পক্ষসমূহৰ চুক্তিৰ দ্বাৰা অপেক্ষিত মধ্যস্থতাকাৰীৰ যিকোনো অৰ্হতাসমূহ,

(খ) অন্য বিবেচনাসমূহ যেনেদৰে এজন স্বাবলম্বী আৰু নায্য মধ্যস্থতাকাৰীৰ নিযুক্তিৰ সুৰক্ষা কৰিবলৈ সম্ভাৱনা থাকে।

(৯) এটা আন্তঃৰাষ্ট্ৰীয় বাণিজ্যিক মধ্যস্থতাত এজন অকলশৰীয়া বা তৃতীয় মধ্যস্থতাকাৰীৰ নিযুক্তিৰ ক্ষেত্ৰত, ভাৰতৰ মুখ্য ন্যায়াধীশ বা তেওঁৰ দ্বাৰা নিৰ্দিষ্ট কৰা ব্যক্তি বা প্ৰতিষ্ঠানৰ পক্ষবোৰৰ ৰাষ্ট্ৰীয়তাৰ বাহিৰে এটা ৰাষ্ট্ৰীয়তাৰ এজন মধ্যস্থতাকাৰী নিযুক্ত কৰিব পাৰে, য'ত পক্ষবোৰ বিভিন্ন ৰাষ্ট্ৰীয়তাৰ অধীনৰ হয়।

(১০) মুখ্য ন্যায়াধীশে এনে আঁচনি প্ৰণয়ন কৰিব পাৰে যেনেদৰে উপধাৰা (৪) বা উপধাৰা (৫) বা উপধাৰা (৬)ৰ দ্বাৰা তেওঁৰ ওপৰত ন্যস্ত কৰা বিষয়বস্তুবোৰ কাৰ্য্যকৰী কৰোতে সঠিক বিবেচনা কৰিব পাৰে।

(১১) য'ত উপধাৰা (৪) বা উপধাৰা (৫) বা উপধাৰা (৬)ৰ অধীনত একাধিক অনুৰোধ বিভিন্ন উচ্চ ন্যায়ালয়ৰ মুখ্য ন্যায়াধীশসকললৈ বা তেওঁলোকে নিৰ্দিষ্ট কৰা ব্যক্তিসমূহলৈ কৰা হয়, মুখ্য ন্যায়াধীশ, বা তেওঁৰ দ্বাৰা নিৰ্দিষ্ট ব্যক্তি, য'লৈ প্ৰাসঙ্গিক উপধাৰাৰ অধীনত প্ৰথম অনুৰোধ কৰা হয় সেই অনুৰোধৰ ওপৰত অকলশৰীয়া ভাবে সিদ্ধান্ত লবলৈ উপযুক্ত হব।

(১২) (ক) য'ত উপধাৰাবোৰ (৪), (৫), (৬), (৭), (৮) আৰু (১০) ত নিৰ্দেশিত বিষয়বস্তুবোৰ এটা অন্তঃৰাষ্ট্ৰীয় বাণিজ্যিক মধ্যস্থতাত উদ্ভৱ হয়, সেই উপধাৰাবোৰত ''মুখ্য ন্যায়াধীশ'' লৈ কৰা নিৰ্দেশটো ''ভাৰতৰ মুখ্য ন্যায়াধীশ'' লৈ এটা নিৰ্দেশ হিচাবে অৰ্থ কৰা হব।

(খ) য'ত উপধাৰা (৪), (৫), (৬), (৭), (৮) আৰু (১০) ত নিৰ্দেশিত বিষয়বস্তুসমূহ অন্য মধ্যস্থতাত উদ্ভৱ হয়, সেই উপধাৰাসমূহত ''মুখ্য ন্যায়াধীশ'' লৈ থকা নিৰ্দেশ উচ্চ ন্যায়ালয়ৰ মুখ্য ন্যায়াধীশৰ নিৰ্দেশ হিচাবে অৰ্থ কৰা হব, যাৰ স্থানীয় সীমাৰ ভিতৰত ধাৰা ২ৰ উপধাৰা (১)ৰ খণ্ড (ঙ)ত নিৰ্দেশিত মুখ্য চিভিল ন্যায়ালয় অৱস্থিত হয় আৰু য'ত সেই খণ্ডত নিৰ্দেশিত উচ্চ ন্যায়ালয় নিজেই এটা ন্যায়ালয়, সেই উচ্চ ন্যায়ালয়ৰ মুখ্য ন্যায়াধীশ হয়।

প্ৰত্যাহ্বানৰ কাৰণ।

১২। (১) যেতিয়া এজন ব্যক্তিৰ ওচৰত এজন মধ্যস্থতাকাৰী হিচাবে তেওঁৰ সম্ভৱপৰ নিযুক্তিৰ সম্পৰ্কত যোৱা হয়, তেওঁৰ স্বাধীনতা বা নিৰপেক্ষতাত যুক্তি সঙ্গত সন্দেহৰ উদয় হব পৰা যিকোনো ক্ষেত্ৰত লিখিত ভাবে জনাব।

(২) এজন মধ্যস্থতাকাৰীয়ে, তেওঁৰ নিযুক্তিৰ সময়ৰ পৰা আৰু মধ্যস্থতা কাৰ্য্যবাহীসমূহ চলি থাকোতে, বিলম্ব অবিহনে, উপধাৰা (১)ত নিৰ্দেশিত যিকোনো পৰিস্থিতিৰ সম্পৰ্কে লিখিতভাৱে পক্ষবোৰলৈ ব্যক্ত কৰিব যদি তেওঁৰ দ্বাৰা সেইবোৰৰ সম্পৰ্কে পূৰ্বে জনোৱা নহয়।

(৩) এজন মধ্যস্থতাকাৰীক কেৱল মাত্ৰ প্ৰত্যাহ্বান কৰিব পৰা যায় যদি -

(ক) পৰিস্থিতিৰ বিদ্যমানতাত যিটোৱে তেওঁৰ স্বাধীনতা বা নিৰপেক্ষতা সম্পৰ্কত ন্যায় সঙ্গত সন্দেহৰ অবকাশ থাকে, বা

(খ) পক্ষবোৰৰ দ্বাৰা সন্মত হোৱা অৰ্হতাসমূহ তেওঁৰ নাথাকে।

(৪) এটা পক্ষই তেওঁৰ দ্বাৰা নিযুক্ত এজন মধ্যস্থতাকাৰীক বা যাৰ নিযুক্তিত তেওঁ অংশ গ্ৰহন কৰিছিল, প্ৰত্যাহ্বান জনাব পাৰে, কেৱলমাত্ৰ কাৰণবোৰৰ বাবে যিটোত তেওঁক কৰা নিযুক্তিৰ পাছত তেওঁ সজাগ থাকে।

প্ৰত্যাহ্বানৰ পদ্ধতি।

১৩। (১) উপধাৰা (৪)ৰ সাপেক্ষে, পক্ষসমূহে এজন মধ্যস্থতাকাৰীক প্ৰত্যাহ্বান জনাবৰ বাবে এটা প্ৰক্ৰিয়াৰ ওপৰত সন্মত হবলৈ মুক্ত থাকিব।

(২) উপধাৰা (১)ত নিৰ্দেশিত যিকোনো চুক্তিৰ অসফলতাত, এটা পক্ষ যিজনে এজন মধ্যস্থতাকাৰীক প্ৰত্যাহ্বান জনাবলৈ অভিপ্ৰায় কৰে মধ্যস্থতা ন্যায়াধিকৰণৰ গঠনত জ্ঞাত হোৱাৰ পাছত পোন্ধৰ দিনৰ ভিতৰত বা ধাৰা ১২ৰ উপধাৰা (৩)ত নিৰ্দেশিত যিকোনো পৰিস্থিতিৰ সম্পৰ্কত জ্ঞাত হোৱাৰ পাছত, মধ্যস্থতা ন্যায়াধিকৰণলৈ প্ৰত্যাহ্বানৰ কাৰণে কাৰণবোৰৰ এটা লিখিত বিৱৰণী পঠিয়াব।

(৩) যদিহে উপধাৰা (২)ৰ অধীনত প্ৰত্যাহ্বান কৰা মধ্যস্থতাকাৰীক তেওঁৰ কাৰ্য্যালয়ৰ পৰা আতৰোৱা নহয় বা অন্য পক্ষই প্ৰত্যাহ্বান জনাবলৈ সন্মত হয়, মধ্যস্থতা ন্যায়াধিকৰণে প্ৰত্যাহ্বানৰ ওপৰত সিদ্ধান্ত লব।

(৪) যদি যিকোনো প্ৰক্ৰিয়াৰ অধীনত যিকোনো প্ৰত্যাহ্বান পক্ষবোৰৰ দ্বাৰা সন্মত হয় বা উপধাৰা (২)ৰ অধীনত প্ৰক্ৰিয়াৰ অধীনত সফল নহয়, মধ্যস্থতা ন্যায়াধিকৰণে মধ্যস্থতা কাৰ্য্যবাহী চলাই নিব আৰু এটা মধ্যস্থতাৰ বিচাৰৰ নিৰ্ণয় দিব।

(৫) য'ত উপধাৰা (৪) এটা মধ্যস্থতাৰ অধিনিৰ্ণয় দিয়া হয়, মধ্যস্থতাকাৰীক প্ৰত্যাহ্বান জনোৱা পক্ষই ধাৰা ৩৪ৰ অনুসৰি এনে এটা মধ্যস্থতা সম্পৰ্কীয় অধিনিৰ্ণয় ৰদ কৰিবৰ বাবে এখন আবেদন কৰিব পাৰে।

(৬) য'ত উপধাৰা (৫)ৰ অধীনত কৰা আবেদনৰ ওপৰত এটা মধ্যস্থতা সম্পৰ্কীয় বিচাৰৰ ৰায় ৰদ কৰা হয়, ন্যায়ালয়ে মধ্যস্থতাকাৰীক যিজনক প্ৰত্যাহ্বান জনোৱা হৈছে তেওঁ কোনো মাচুলৰ হক্‌দাৰ হয়নে নহয় সম্পৰ্কে সিদ্ধান্ত লব পাৰে।

**কাৰ্য্য কৰিবলৈ অসফলতা বা অসম্ভৱতা।**

১৪। (১) এজন মধ্যস্থতাকাৰীৰ আদেশ অন্ত পৰিব যদি -

(ক) তেওঁ কৃত্যসমূহ কৰিবলৈ বাস্তৱিকতে বা বৈধ ভাবে অসমৰ্থ হয়, বা অন্য কাৰণসমূহৰ বাবে অযথা বিলম্ব অবিহনে কাৰ্য্য কৰিবলৈ অসফল হয়; আৰু

(খ) তেওঁ নিজৰ কাৰ্য্যালয় ত্যাগ কৰে বা পক্ষসমূহে তেওঁৰ আদেশ অন্ত কৰিবলৈ সন্মত হয়।

(২) যদি উপধাৰা (১)ৰ খণ্ড (ক)ত নিৰ্দেশিত কালসমূহৰ যিকোনো এটাৰ সম্পৰ্কে এটা বিতৰ্ক উদ্ভৱ হয়, এটা পক্ষই, যদি পক্ষবোৰৰ দ্বাৰা অন্যথা সন্মত নহয়, ন্যায়ালয়লৈ আদেশৰ অৱসানৰ ওপৰত সিদ্ধান্ত কৰিবলৈ আবেদন কৰিব পাৰে।

(৩) যদি, এই ধাৰাৰ বা ধাৰা ১৩ৰ উপধাৰা (৩)ৰ অধীনত এজন মধ্যস্থতাকাৰীয়ে তেওঁৰ কাৰ্য্যালয় ত্যাগ কৰে বা এটা পক্ষই এজন মধ্যস্থতাকাৰীৰ অৱসানৰ আদেশত সন্মত হয়, এই ধাৰাত বা ধাৰা ১২ৰ উপধাৰা (৩)ত নিৰ্দেশিত যিকোনো কাৰণৰ বৈধতাৰ গ্ৰহণ কাৰ্য্যকৰী নকৰিব।

**আদেশৰ অৱসান আৰু মধ্যস্থতাকাৰীৰ প্ৰতিষ্ঠাপন।**

১৫। (১) ধাৰা ১৩ বা ধাৰা ১৪ত নিৰ্দেশিত পৰিস্থিতিসমূহৰ উপৰিও এজন মধ্যস্থতাকাৰীৰ আদেশৰ অৱসান হব -

(ক) য'ত তেওঁ যিকোনো কালৰ বাবে কাৰ্য্যালয় ত্যাগ কৰে;

(খ) পক্ষবোৰৰ চুক্তিৰ দ্বাৰা বা অনুসাৰে হয়।

(২) য'ত এজন মধ্যস্থতাকাৰীৰ আদেশৰ অৱসান হয়, সলনি হোৱা মধ্যস্থতাকাৰীৰ নিযুক্তিত প্ৰযোজ্য হোৱা নিয়মসমূহৰ অনুসৰি এজন প্ৰতিষ্ঠাপিত মধ্যস্থতাকাৰীক নিযুক্তি দিয়া হব।

(৩) যদি পক্ষবোৰৰ দ্বাৰা অন্যথা সন্মত নহয়, য'ত এজন মধ্যস্থতাকাৰীক উপধাৰা (২)ৰ অধীনত বদলি কৰা হয়, মধ্যস্থতা ন্যায়াধিকৰণৰ ইচ্ছানুসাৰে পূৰ্বে লোৱা কোনো শুনানী পুনৰ লব পৰা যায়।

(৪) যদি পক্ষবোৰৰ দ্বাৰা অন্যথা সন্মত নহয়, এই ধাৰাৰ অধীনত এজন মধ্যস্থতাকাৰীৰ বদলিকৰণৰ পূৰ্বে মধ্যস্থতা ন্যায়াধিকৰণৰ আদেশ বা নিয়ম কেৱল মাত্ৰ মধ্যস্থতা ন্যায়াধিকৰণৰ গঠনৰ পৰিবৰ্ত্তনৰ কাৰণে অবৈধ নহব।

## অধ্যায় - IV

## মধ্যস্থতা ন্যায়াধিকৰণৰ অধিকাৰিতা

ইয়াৰ অধিকাৰিতাৰ ওপৰত শাসন কৰিবলৈ মধ্যস্থতা ন্যায়াধিকৰণৰ ক্ষমতা।

১৬। (১) মধ্যস্থতা ন্যায়াধিকৰণে মধ্যস্থতা চুক্তিৰ স্থায়িত্ব বা বৈধতাৰ সম্পৰ্কত যিকোনো আপত্তিবোৰৰ ওপৰত শাসন অন্তৰ্ভুক্ত কৰি ইয়াৰ নিজৰ অধিকাৰিতাৰ ওপৰত শাসন কৰিব পাৰে আৰু সেই উদ্দেশ্যৰ বাবে -

(ক) এটা মধ্যস্থতা খণ্ড যিয়ে এটা চুক্তিৰ অংশ গঠিত কৰে চুক্তিৰ আন চৰ্ত্তবোৰ এটা স্বাৱলম্বী চুক্তি হিচাবে গণ্য কৰা হব; আৰু

(খ) মধ্যস্থতা ন্যায়াধিকৰণৰ দ্বাৰা কৰা আদেশত সংবিদাটো যে বাতিল হয়, মধ্যস্থতা খণ্ড অবৈধতালৈ বিধিতঃ নহব।

(২) মধ্যস্থতা ন্যায়াধিকৰণৰ অধিকাৰিতা নেথাকে বুলি তাৰ এটা আপত্তি প্ৰতিৰক্ষাৰ প্ৰবিৱৰণৰ দাখিলৰ আগতেই উত্থাপন কৰা হব, ইয়াৰ উপৰিও, এটা পক্ষক এনে আপত্তি কেৱল মাত্ৰ কালৰ বাবে নিবাৰণ কৰা নহব যে তেওঁ এজন মধ্যস্থতাকাৰী নিযুক্তি দিছিল বা নিযুক্তিত অংশ গ্ৰহন কৰিছিল।

(৩) মধ্যস্থতা ন্যায়াধিকৰণে যে ইয়াৰ প্ৰাধিকৰণৰ পৰিসৰ অতিক্ৰম কৰিছে বুলি কৰা এটা আপত্তি উত্থাপন কৰা হব যিমান সোনকালে পৰা যায় বিষয়বস্তুটো ইয়াৰ প্ৰধিকাৰীৰ পৰিসৰৰ বাহিৰত মধ্যস্থতা কাৰ্য্যবাহী চলি থাকোতে অভিযোগ উত্থাপন কৰা হয়।

(৪) মধ্যস্থতা ন্যায়াধিকৰণে উপধাৰা (২) বা উপধাৰা (৩)ত নিৰ্দেশিত ক্ষেত্ৰবোৰৰ যিকোনো এটাত এটা পিছৰ আপত্তি স্বীকাৰ কৰে যদি ই বিলম্বটো যুক্তিসঙ্গত বুলি বিবেচনা কৰে।

(৫) উপধাৰা (খ) বা উপধাৰা (৩)ত নিৰ্দেশিত এটা আপত্তিৰ ওপৰত মধ্যস্থতা ন্যায়াধিকৰণে সিদ্ধান্ত কৰিব আৰু য'ত মধ্যস্থতা ন্যায়াধিকৰণে আপত্তিটো প্ৰত্যাখ্যানৰ এটা সিদ্ধান্ত লয়, মধ্যস্থতা কাৰ্য্যবাহী চলি থাকিব আৰু এটা মধ্যস্থতা সম্বন্ধীয় এটা নিৰ্ণয় দিব।

(৬) এনে এটা মধ্যস্থতা অধিনিৰ্ণয়ৰ দ্বাৰা ক্ষোভিত এটা পক্ষই ধাৰা ৩৪ৰ অনুসৰি এটা মধ্যস্থতাৰ অধিনিৰ্ণয়ৰ ৰদকৰণৰ বাবে এখন আবেদন কৰিব পাৰে।

মধ্যস্থতা ন্যায়াধিকৰণৰ দ্বাৰা কৰা আদেশৰ অন্তৰ্বৰ্তীকালীন উপায় সমূহ।

১৭। (১) যদি পক্ষবোৰৰ দ্বাৰা অন্যথা সন্মত নহয়, মধ্যস্থতা ন্যায়াধিকৰণে এটা পক্ষৰ অনুৰোধত সংৰক্ষণৰ যিকোনো আন্তঃকালীন উপায়সমূহ লবলৈ এটা পক্ষক আদেশ কৰিব পাৰে যেনেদৰে মধ্যস্থতা ন্যায়াধিকৰণে বিবাদৰ বিষয়বস্তুৰ সম্পৰ্কত আৱশ্যক বিবেচনা কৰিব পাৰে।

(২) মধ্যস্থতা ন্যায়াধিকৰণে এটা পক্ষক উপধাৰা (১)ৰ অধীনত কৰা আদেশৰ উপায়সমূহৰ সম্পৰ্কত সঠিক সুৰক্ষা উপবন্ধিত কৰিবলৈ অপেক্ষিত কৰিব পাৰে।

## অধ্যায় -V

## মধ্যস্থতা কাৰ্য্যবাহীসমূহৰ পৰিচালন

পক্ষসমূহৰ সম আচৰণ।

১৮। পক্ষসমূহক সম আচৰণ কৰা হব আৰু প্ৰত্যেক পক্ষক তেওঁৰ বিচাৰ্য্য বিষয় উপস্থাপন কৰিবলৈ সম্পূৰ্ণ সুবিধা দিয়া হব।

প্ৰক্ৰিয়া নিয়ম সমূহৰ নিৰ্দ্ধাৰণ।
১৯০৮ৰ ৫
১৮৭২ৰ ১

১৯। (১) মধ্যস্থতা ন্যায়াধিকৰণ, চিভিল প্ৰক্ৰিয়া সংহিতা, ১৯০৮ৰ দ্বাৰা বা ভাৰতীয় সাক্ষ্য অধিনিয়ম, ১৮৭২ৰ দ্বাৰা আবদ্ধ নহব।

(২) এই ভাগৰ সাপেক্ষে, ইয়াৰ কাৰ্য্যবাহী সমূহ পৰিচালনা কৰোতে মধ্যস্থতা ন্যায়াধিকৰণৰ দ্বাৰা অনুসৰণ কৰিব লগীয়া পদ্ধতিৰ ওপৰত সন্মত হবলৈ পক্ষসমূহ মুক্ত থাকিব।

(৩) উপধাৰা (২)ত নিৰ্দেশিত যিকোনো চুক্তিৰ অসফলতাত মধ্যস্থতা ন্যায়াধিকৰণে এই ভাগৰ সাপেক্ষে, সঠিক ভাবে বিবেচনা কৰা ধৰণে কাৰ্য্যবাহী সমূহ পৰিচালনা কৰিব।

(৪) উপধাৰা (৩)ৰ অধীনত মধ্যস্থতা ন্যায়াধিকৰণৰ ক্ষমতাই কোনো সাক্ষ্যই গ্ৰহনীয়তা, প্ৰাসঙ্গিকতা, বাস্তৱিকতা আৰু গুৰুত্বক নিৰ্দ্ধাৰণ কৰিবলৈ থকা ক্ষমতাক অন্তৰ্ভুক্ত কৰিব।

মধ্যস্থতাৰ স্থান।

২০। (১) পক্ষবোৰ মধ্যস্থতা স্থানত সম্মত হ'বলৈ মুক্ত থাকিব।

(২) উপধাৰা (১)ত নির্দেশিত যিকোনো চুক্তিৰ অসফলতাত মধ্যস্থতাৰ স্থান বিচাৰ্য্য বিষয়ৰ অৱস্থাৰ ওপৰত দৃষ্টি ৰাখি মধ্যস্থতা ন্যায়াধিকৰণৰ দ্বাৰা পক্ষসমূহৰ সুবিধা অন্তর্ভুক্ত কৰি নির্দ্ধাৰণ কৰা হ'ব।

(৩) উপধাৰা (১) বা উপধাৰা (২)ত কোনো কথা থকা স্বত্বেও, মধ্যস্থতা ন্যায়াধিকৰণে, যদি পক্ষ সমূহৰ দ্বাৰা অন্যথা সম্মত নহয়, ইয়াৰ সদস্যসকলৰ মাজত আলোচনাৰ বাবে, সাক্ষীসমূহৰ, দক্ষ, ব্যক্তিসমূহৰ বা পক্ষসমূহৰ শুনানী বা দস্তাবেজসমূহৰ, সামগ্ৰীসমূহৰ বা অন্য সম্পত্তিসমূহৰ পৰিদর্শনৰ বাবে ই সঠিক বিবেচনা কৰা যিকোনো স্থানত মিলিত হ'ব পাৰে।

মধ্যস্থতা কাৰ্য্যবাহী সমূহৰ প্ৰাৰম্ভণ।

২১। যদি পক্ষসমূহৰ দ্বাৰা অন্যথা সম্মত নহয়, এটা বিশেষ বিবাদৰ সম্পৰ্কত মধ্যস্থতা কাৰ্য্যবাহীসমূহ সেই তাৰিখত প্ৰাৰম্ভণ হয় য'ত সেই বিবাদৰ বাবে এটা অনুৰোধ মধ্যস্থতালৈ প্ৰেৰণ কৰা হ'ব প্ৰতিবাদীৰ দ্বাৰা প্ৰাপ্ত কৰা হয়।

ভাষা।

২২। (১) পক্ষসমূহে মধ্যস্থতা কাৰ্য্যবাহীত ব্যৱহাৰ কৰিব লগীয়া ভাষা বা ভাষাসমূহৰ ওপৰত সম্মত হ'বলৈ মুক্ত থাকিব।

(২) উপধাৰা (১)ত উল্লিখিত যিকোনো চুক্তিৰ অসফলতাত মধ্যস্থতা ন্যায়াধিকৰণে মধ্যস্থতা কাৰ্য্যবাহী সমূহত ব্যৱহাৰ হ'বলগীয়া ভাষা বা ভাষাসমূহৰ নির্দ্ধাৰণ কৰিব।

(৩) চুক্তি বা নির্দ্ধাৰণকৰণ যদি অন্যথা বিনির্দিষ্ট কৰা নহয়, এটা পক্ষৰ দ্বাৰা যিকোনো লিখিত বিৱৰণীলৈ, যিকোনো শুনানী আৰু মধ্যস্থতা ন্যায়াধিকৰণৰ দ্বাৰা যিকোনো মধ্যস্থতা সম্পৰ্কীয় অধিনির্ণয়, সিদ্ধান্ত বা অন্য জাননীলৈ প্ৰযোজ্য হয়।

(৪) মধ্যস্থতা ন্যায়াধিকৰণে আদেশ দিব পাৰে যে যিকোনো দস্তাবেজ সম্পৰ্কীয় সাক্ষ্য পক্ষসমূহৰ দ্বাৰা সম্মত হোৱা বা মধ্যস্থতা ন্যায়াধিকৰণৰ দ্বাৰা নির্দ্ধাৰণ কৰা ভাষা বা ভাষাসমূহলৈ অনুবাদ সহিতে হ'ব।

দাবী আৰু প্ৰতিৰক্ষাৰ বিৱৰণী সমূহ।

২৩। (১) পক্ষসমূহৰ দ্বাৰা বা মধ্যস্থতা ন্যায়াধিকৰণৰ দ্বাৰা নির্দ্ধাৰণ কৰা কালৰ পৰ্য্যায়ৰ ভিতৰত, দাবীদাৰে তেওঁৰ দাবী, বিচাৰ্য্য বিষয় আৰু বিচৰা সহায় বা প্ৰতিকাৰ সমৰ্থন কৰি তেওঁৰ ঘটনাটোৰ বিৱৰণ দিব, আৰু প্ৰতিবাদীয়ে তেওঁৰ প্ৰতিৰক্ষাৰ বিশেষবোৰৰ সম্পৰ্কত বৰ্ণনা দিব, যদি পক্ষবোৰে সেই প্ৰবিৱৰণৰ অপেক্ষিত সমলৰ সম্পৰ্কত অন্যথা সম্মত নহয়।

(২) পক্ষ সমূহে সেই প্ৰবিৱৰণৰ সৈতে তেওঁলোকক প্ৰাসংগিক হিচাবে বিবেচনা কৰা সকলো দস্তাবেজ সমূহ বা দস্তাবেজসমূহলৈ এটা নিদর্শন দাখিল কৰিব পাৰে বা অন্য সাক্ষ্য তেওঁলোকে দাখিল কৰিব।

(৩) যদি পক্ষসমূহৰ দ্বাৰা অন্যথা সম্মত নহয়, যিকোনো এটা পক্ষই মধ্যস্থতা কাৰ্য্যবাহী চলি থাকোতে তেওঁৰ দাবী বা প্ৰতিৰক্ষা সংশোধন বা ওপৰঞ্চি কাকত সংযোগ কৰিব পাৰে, যিপৰ্য্যন্ত মধ্যস্থতা ন্যায়াধিকৰণে ইয়াক প্ৰণয়ন কৰোঁতে বিলম্বলৈ দৃষ্টি কৰি ইয়াক সংশোধন বা ওপৰঞ্চি কাকতত অনুমতি দিবলৈ সুৰক্ষিত নহয় বুলি বিবেচনা কৰে।

শুনানী আৰু লিখিত কাৰ্য্যবাহী সমূহ।

২৪। (১) পক্ষবোৰৰ দ্বাৰা অন্যথা সম্মত নহ'লে, মধ্যস্থতা ন্যায়াধিকৰণে সাক্ষ্যৰ উপস্থিতিৰ বাবে বা মৌখিক যুক্তিৰ বাবে, মৌখিক শুনানী ধাৰণ কৰিব নে নকৰে বা কাৰ্য্যবাহীটো দস্তাবেজসমূহ আৰু অন্য বিষয়বস্তুসমূহৰ ওপৰত নিৰ্ভৰ কৰি বিচাৰ কৰা হ'ব নে নহয় সিদ্ধান্ত কৰিব ঃ

পৰন্তু মধ্যস্থতা ন্যায়াধিকৰণে, এটা পক্ষৰ অনুৰোধত কাৰ্য্যবাহীৰ এটা সমুচিত অৱস্থাত মৌখিক শুনানী লব, যদি পক্ষসমূহে সম্মত নহয় যে কোনো মৌখিক শুনানী লোৱা নহ'ব।

(২) দস্তাবেজসমূহ, সামগ্ৰীসমূহ বা অন্য সম্পত্তিৰ পৰিদর্শনৰ উদ্দেশ্যসমূহৰ বাবে পক্ষসমূহক যিকোনো শুনানী আৰু মধ্যস্থতা ন্যায়াধিকৰণৰ যিকোনো সভাৰ আৰু যিকোনো শুনানীৰ পৰ্য্যাপ্ত অগ্ৰিম জাননী দিয়া হ'ব।

(৩) এটা পক্ষৰ দ্বাৰা কৰা সকলো প্ৰবিৱৰণ, দস্তাবেজ বা যোগান ধৰা সকলো জাননী বা মধ্যস্থতা ন্যায়াধিকৰণলৈ কৰা আবেদনসমূহ অন্য পক্ষলৈ জনোৱা হ'ব, আৰু যিকোনো দক্ষ প্ৰতিবেদন বা সাক্ষ্য সম্বন্ধীয় দস্তাবেজ য'ত ন্যায়াধিকৰণে ইয়াৰ সিদ্ধান্ত প্ৰণয়ন কৰোঁতে বিশ্বাস কৰিব পাৰে পক্ষসমূহলৈ জনোৱা হ'ব।

এটা পক্ষৰ ক্ৰটী। ২৫। পক্ষবোৰৰ দ্বাৰা অন্যথা সন্মত নহলে, য'ত, পৰ্য্যাপ্ত কাৰণ নেদেখুৱাকৈ --

(ক) ধাৰা ২৩ৰ উপধাৰা (১) অনুসাৰে দাবীদাৰে তেওঁৰ দাবীৰ বিবৃতি যোগাযোগ কৰিবলৈ অসফল হয়, স্বেচ্ছাচাৰী ন্যায়াধিকৰণে কাৰ্য্যবাহী অন্ত পেলাব।

(খ) ধাৰা ২৩ৰ উপধাৰা (১)ৰ অনুসৰি প্ৰতিবাদীয়ে তেওঁৰ প্ৰতিৰক্ষাৰ প্ৰবিৱৰণ জনাবলৈ অসফল হয়, মধ্যস্থতা ন্যায়াধিকৰণে ইয়াৰ নিজৰ ওপৰত সেই অসফলতাৰ ব্যক্ত অবিহনে দাবীদাৰৰ দ্বাৰা কৰা অভিযোগ এটা স্বীকাৰোক্তি হিচাবে কাৰ্য্যবাহী চলাই থাকিব।

(গ) এটা পক্ষই এটা মৌখিক শুনানীত উপস্থিত থাকিবলৈ বা দস্তাবেজ সম্পৰ্কীয় সাক্ষ্য উপস্থাপন কৰিবলৈ অসফল হয়, মধ্যস্থতা ন্যায়াধিকৰণে কাৰ্য্যবাহীসমূহ চলাই নিব পাৰে আৰু ইয়াৰ সন্মুখত থকা সাক্ষ্যৰ ওপৰত মধ্যস্থতা সম্বন্ধীয় অধিনিৰ্ণয় দিব পাৰে।

মধ্যস্থতা ন্যায়াধিকৰণৰ দ্বাৰা নিযুক্ত দক্ষ ব্যক্তি। ২৬। (১) যদি পক্ষসমূহৰ দ্বাৰা সন্মত নহয়, মধ্যস্থতা ন্যায়াধিকৰণে -

(ক) মধ্যস্থতা ন্যায়াধিকৰণৰ দ্বাৰা নিৰ্দ্ধাৰণ কৰিবলগীয়া নিৰ্দিষ্ট বিচাৰ্য্য বিষয়সমূহৰ ওপৰত ইয়ালৈ প্ৰতিবেদন দিবলৈ এজন বা অধিক দক্ষ ব্যক্তি নিযুক্তি দিব পাৰে; আৰু

(খ) তেওঁৰ পৰিদৰ্শনৰ বাবে এটা পক্ষক যিকোনো প্ৰাসঙ্গিক সূচনা দিবলৈ কোনো দক্ষ ব্যক্তিক বা প্ৰদৰ্শন কৰিবলৈ বা প্ৰৱেশাধিকাৰ উপবন্ধিত কৰিবলৈ যিকোনো প্ৰাসঙ্গিক দস্তাবেজ, সামগ্ৰী বা অন্য সম্পত্তি অপেক্ষিত কৰিব।

(২) যদি পক্ষসমূহৰ দ্বাৰা অন্যথা সন্মত নহয়, যদি এটা পক্ষই এনেদৰে অনুৰোধ কৰে বা যদি মধ্যস্থতা ন্যায়াধিকৰণে ইয়াক আৱশ্যক বিবেচনা কৰে, দক্ষ ব্যক্তিয়ে, তেওঁৰ লিখিত বা মৌখিক প্ৰতিবেদন প্ৰদান কৰাৰ পাছত, এটা মৌখিক শুনানীত অংশ গ্ৰহন কৰিব য'ত পক্ষসমূহৰ তেওঁক প্ৰশ্ন সুধিবলৈ সুবিধা থাকে আৰু বিচাৰ্য্য বিষয়ৰ ওপৰত পৰীক্ষা কৰাৰ উদেশ্যে দক্ষ সাক্ষীসমূহৰ উপস্থাপন কৰিব।

(৩) পক্ষসমূহৰ দ্বাৰা অন্যথা সন্মত নহলে, দক্ষ ব্যক্তিয়ে, এটা পক্ষৰ অনুৰোধত দস্তাবেজসমূহ, সামগ্ৰীসমূহৰ বা দক্ষ ব্যক্তিৰ অধিগ্ৰহনত থকা অন্য সম্পত্তি যাৰ সৈতে তেওঁৰ প্ৰতিবেদন প্ৰস্তুত কৰিবলৈ উপবন্ধিত কৰিছিল পৰীক্ষাৰ বাবে সেই পক্ষলৈ সহজলভ্য কৰিব।

সাক্ষ্য লবলৈ ন্যায়ালয়ৰ সহায়তা। ২৭। (১) মধ্যস্থতা ন্যায়াধিকৰণে, বা মধ্যস্থতা ন্যায়াধিকৰণৰ অনুমোদন সাপেক্ষে এটা পক্ষই সাক্ষ্য লবৰ কাৰণে সহায়তাৰ বাবে ন্যায়ালয়লৈ আবেদন কৰিব পাৰে।

(২) আবেদনত বিনিৰ্দিষ্ট কৰা হব -

(ক) পক্ষসমূহৰ আৰু মধ্যস্থতাকাৰীসমূহৰ নামসমূহ আৰু ঠিকনাসমূহ বিনিৰ্দিষ্ট কৰিব;

(খ) দাবীৰ সাধাৰণ লক্ষণ আৰু বিচৰা সহায়;

(গ) বিশেষতঃ পাবলগীয়া সাক্ষ্য, -

(i) সাক্ষী বা দক্ষ সাক্ষী হিচাবে শুনানীৰ বাবে যিকোনো ব্যক্তিৰ নাম আৰু ঠিকনা অপেক্ষিত সাক্ষ্যৰ বিষয়বস্তুৰ এটা প্ৰতিবেদন-;

(ii) উপস্থাপন কৰিবলগীয়া যিকোনো দস্তাবেজৰ প্ৰবিৱৰণ বা পৰিদৰ্শন কৰিবলগীয়া সম্পত্তি;

(৩) ন্যায়ালয়ে, ইয়াৰ ক্ষমতাৰ ভিতৰত আৰু ইয়াৰ নিয়মসমূহৰ অনুসৰি সাক্ষ্য গ্ৰহন কৰোতে, আদেশৰ দ্বাৰা অনুৰোধটো সম্পাদন কৰিব যে সাক্ষ্যটো মধ্যস্থতা ন্যায়াধিকৰণলৈ প্ৰত্যক্ষভাবে উপবন্ধিত কৰা হব।

(৪) ন্যায়ালয়ে উপধাৰা (৩)ৰ অধীনত এটা আদেশ প্ৰণয়ন কৰোতে সাক্ষীসমূহক একে পদ্ধতিসমূহ জাৰি কৰিব যেনেদৰে ই ইয়াৰ সন্মুখত বাদসমূহত জাৰি কৰিছিল।

(৫) মধ্যস্থতা কাৰ্য্যবাহী চলি থাকোতে এনে পদ্ধতি অনুসৰি উপস্থিত থাকিবলৈ বা অন্য যিকোনো ক্ৰটী বা তেওঁলোকৰ সাক্ষ্য দিবলৈ অস্বীকাৰ কৰা বা যিকোনো অৱমাননাৰ বাবে দোষী অসফল হোৱা ব্যক্তিসমূহ, অসুবিধাসমূহ, জৰিমনাসমূহ আৰু দণ্ডসমূহৰ সাপেক্ষে মধ্যস্থতা ন্যায়াধিকৰণৰ প্ৰতিনিধিত্বকৰণৰ ওপৰত

ন্যায়ালয়ৰ আদেশৰ দ্বাৰা এনে ধৰণৰ হব যেনেদৰে সেইবোৰ একেধৰণৰ অপৰাধসমূহৰ বাবে ন্যায়ালয়ৰ সন্মুখত বাদসমূহ বিচাৰ কৰা হ'লহেতেঁন।

(৬) এই ধাৰাত অভিব্যক্তি ''পদ্ধতিসমূহ'', চমন সমূহ আৰু সাক্ষীসমূহৰ পৰীক্ষণৰ বাবে কমিচনসমূহ আৰু দস্তাৱেজসমূহ প্ৰদৰ্শন কৰিবলৈ চমনসমূহ অন্তৰ্ভুক্ত কৰে।

## অধ্যায় - VI

## মধ্যস্থতা সম্পৰ্কীয় বিচাৰৰ ৰায়ৰ প্ৰণয়ন আৰু কাৰ্য্যবাহীসমূহৰ সমাপ্তি

বিবাদৰ মূল বিষয় বস্তুলৈ প্ৰযোজ্য নিয়মসমূহ।

২৮। (১) য'ত মধ্যস্থতাৰ স্থান ভাৰতত অৱস্থিত --

(ক) এটা আন্তঃৰাষ্ট্ৰীয় বাণিজ্যিক মধ্যস্থতাৰ বাহিৰে এটা মধ্যস্থতাত, মধ্যস্থতা ন্যায়াধিকৰণে ভাৰতত সম্প্ৰতি বলবৎ প্ৰকৃত বিধি অনুসৰি মধ্যস্থতালৈ দাখিল কৰা বিবাদৰ সিদ্ধান্ত কৰিব;

(খ) আন্তঃৰাষ্ট্ৰীয় বাণিজ্যিক মধ্যস্থতা --

(i) মধ্যস্থতা ন্যায়াধিকৰণে বিবাদৰ মূল বিষয়বস্তুলৈ প্ৰযোজ্য হোৱা ধৰণে পক্ষসমূহৰ দ্বাৰা ন্যস্ত কৰা বিধিৰ নিয়মাৱলী অনুসৰি বিবাদটোৰ সিদ্ধান্ত কৰিব;

(ii) বিধি বা উক্ত দেশৰ বিধিক প্ৰণালীৰ পক্ষসমূহৰ দ্বাৰা যিকোনো পদবী ব্যাখ্যা কৰা হয়, যদি অন্যথা ব্যক্ত কৰা নহয়, যেনেদৰে সেই দেশৰ প্ৰকৃত বিধিলৈ প্ৰত্যক্ষভাবে উল্লেখ থাকে আৰু ইয়াৰ বিধিসমূহৰ নিয়মাৱলীলৈ ইয়াৰ বিবাদ নহয়;

(iii) পক্ষবোৰৰ দ্বাৰা খণ্ড (ক)ৰ অধীনত বিধিৰ যিকোনো পদবীৰ অসফলতাত, মধ্যস্থতা ন্যায়াধিকৰণে বিবাদৰ চাৰিও কাষৰ সকলো পৰিস্থিতি দি সঠিক হিচাবে বিবেচনা কৰা বিধিৰ নিয়মাৱলী প্ৰয়োগ কৰিব।

(২) মধ্যস্থতা ন্যায়াধিকৰণে এক্স একিওৱ এট বন বা এমিয়েবল কম্পচিটৰ হিচাবে কেৱল মাত্ৰ সিদ্ধান্ত লব যদি পক্ষসমূহে এনে কৰিবলৈ স্পষ্টভাবে ইয়াক প্ৰাধিকৃত কৰে।

(৩) সকলো ক্ষেত্ৰত, মধ্যস্থতা ন্যায়াধিকৰণে চুক্তিৰ চৰ্ত্তসমূহৰ অনুসৰি সিদ্ধান্ত কৰিব আৰু কাৰ্য্যনিৰ্বাহলৈ প্ৰযোজ্য বাণিজ্যৰীতি হিচাবে কৰিব।

মধ্যস্থতাকাৰীৰ জুৰিৰ দ্বাৰা সিদ্ধান্তকৰণ।

২৯। (১) যদি পক্ষসমূহৰ দ্বাৰা অন্যথা সন্মত নহয়, মধ্যস্থতা কাৰ্য্যবাহীসমূহে এজন মধ্যস্থতাকাৰীৰ অধিক সহ, মধ্যস্থতা ন্যায়াধিকৰণৰ যিকোনো সিদ্ধান্ত ইয়াৰ সকলো সদস্য বৃন্দৰ অধিকৰণৰ দ্বাৰা লোৱা হব।

(২) উপধাৰা (১)ৰ স্বত্বেও, যদি পক্ষসমূহৰ দ্বাৰা প্ৰাধিকৃত কৰা হয়, বা মধ্যস্থতা ন্যায়াধিকৰণৰ সকলো সদস্য, সভাপতিত্ব কৰা মধ্যস্থতাকাৰীৰ দ্বাৰা পদ্ধতিৰ প্ৰশ্নসমূহৰ সিদ্ধান্ত কৰিব পৰা যায়।

নিষ্পত্তি।

৩০। (১) এটা মধ্যস্থতা ন্যায়াধিকৰণৰ বাবে এটা মধ্যস্থতা চুক্তি সহ বিবাদটোৰ নিষ্পত্তিত সহায় কৰিবলৈ অসঙ্গত নহয় আৰু পক্ষসমূহৰ চুক্তি সহ, মধ্যস্থতা ন্যায়াধিকৰণে মধ্যস্থতা, পুৰ্ণমিলন বা অন্য পদ্ধতিসমূহ মধ্যস্থতা কাৰ্য্যবাহীসমূহ চলি থাকোতে যি কোনো সময়ত নিষ্পত্তিত সহায় কৰিবলৈ ব্যৱহাৰ কৰিব পাৰে।

(২) যদি, মধ্যস্থতা কাৰ্য্যবাহী চলি থাকোতে, পক্ষসমূহে বিবাদটো নিষ্পত্তি কৰে, মধ্যস্থতা ন্যায়াধিকৰণে কাৰ্য্যবাহী সমাপ্ত কৰিব আৰু যদি, পক্ষবোৰৰ দ্বাৰা অনুৰোধ কৰা হয় আৰু মধ্যস্থতা ন্যায়াধিকৰণৰ দ্বাৰা বাধা আৰোপ কৰা নহয়, মধ্যস্থতা বিচাৰৰ ৰায় প্ৰপত্ৰ হিচাবে সন্মত হোৱা চৰ্ত্তৰ ওপৰত নিষ্পত্তিটো অভিলিখিত কৰিব।

(৩) সন্মত চৰ্ত্তৰ ওপৰত এটা মধ্যস্থতা বিচাৰৰ ৰায় ধাৰা ৩১ৰ অনুসৰি প্ৰণয়ন কৰা হব আৰু বৰ্ণনা কৰিব যে এইটো এটা মধ্যস্থতা সম্পৰ্কীয় অধিনিৰ্ণয়।

(৪) সন্মত চৰ্ত্তৰ ওপৰত এটা মধ্যস্থতা সম্পৰ্কীয় বিচাৰৰ ৰায়ৰ সেই একে মৰ্য্যদা থাকিব আৰু বিবাদৰ মূল বিষয়বস্তুৰ ওপৰত যিকোনো অন্য মধ্যস্থতা সম্পৰ্কীয় বিচাৰৰ ৰায়ৰ ধৰণে কাৰ্য্যকৰী হব।

মধ্যস্থতা সম্পৰ্কীয় বিচাৰৰ ৰায়ৰ প্ৰপত্ৰ আৰু সূচীপত্ৰ।

৩১। (১) এটা মধ্যস্থতা সম্পৰ্কীয় অধিনিৰ্ণয় লিখিত ভাবে হব আৰু মধ্যস্থতা ন্যায়াধিকৰণৰ সদস্য সকলৰ দ্বাৰা স্বাক্ষৰিত হব।

(২) উপধাৰা (১)ৰ উদ্দেশ্যবোৰৰ বাবে এজন মধ্যস্থতাকাৰীৰ অধিক সহ এটা মধ্যস্থতা কাৰ্য্যবাহীত, মধ্যস্থতা ন্যায়াধিকৰণৰ সদস্যসমূহৰ অধিককালৰ স্বাক্ষৰসমূহ পৰ্য্যাপ্ত হব যিমান দূৰ পৰা যায় যিকোনো বাদ যোৱা স্বাক্ষৰৰ বাবে কাৰণ বাখ্যা কৰা হয়।

(৩) মধ্যস্থতা সম্পৰ্কীয় অধিনিৰ্ণয়ে কাৰণসমূহ বৰ্ণনা দিব যাৰ ওপৰত ভিত্তি কৰা হৈছে, যদি --

(ক) পক্ষসমূহে সন্মত নহয় যে কোনো কাৰণসমূহ দিয়া নহয়, বা

(খ) ধাৰা ৩০ৰ অধীনত সন্মত চৰ্ত্তসমূহৰ ওপৰত অধিনিৰ্ণয় এটা মধ্যস্থতা সম্পৰ্কীয় অধিনিৰ্ণয় নহয়।

(৪) মধ্যস্থতা সম্পৰ্কীয় বিচাৰৰ ৰায়ে ধাৰা ২০ৰ অনুসৰি নিৰ্দ্ধাৰণ কৰা ধৰণে ইয়াৰ তাৰিখ আৰু মধ্যস্থতাৰ স্থান স্থিৰ কৰিব আৰু অধিনিৰ্ণয় সেই স্থানত প্ৰণয়ন কৰা হিচাবে গণ্য কৰা হব।

(৫) মধ্যস্থতা সম্পৰ্কীয় অধিনিৰ্ণয় দিয়াৰ পিছত, এটা স্বাক্ষৰিত প্ৰতিলিপি প্ৰত্যেক পক্ষলৈ প্ৰদান কৰা হব।

(৬) মধ্যস্থতা ন্যায়াধিকৰণে, মধ্যস্থতা কাৰ্য্যবাহী চলি থাকোতে যিকোনো সময়ত, যিকোনো বিষয়বস্তুৰ ওপৰত এটা অন্তৰ্বৰ্তী অধিনিৰ্ণয় দিব পাৰে যাৰ সম্পৰ্কত ই এটা চূড়ান্ত মধ্যস্থতা সম্পৰ্কীয় বিচাৰৰ ৰায় দিব পাৰে।

(৭) (ক) যদি পক্ষসমূহৰ দ্বাৰা অন্যথা সন্মত নহয়, য'ত আৰু যিমান দূৰ সম্ভৱ হয় এটা মধ্যস্থতা সম্পৰ্কীয় অধিনিৰ্ণয় টকাৰ আদায়ৰ বাবে হয়, মধ্যস্থতা ন্যায়াধিকৰণে সেই ৰাশিত অন্তৰ্ভুক্ত কৰিব পাৰে যাৰ বাবে অধিনিৰ্ণয় সুদ হিচাবে কৰা হৈছে, এনে হাৰত যেনেদৰে টকাৰ সম্পূৰ্ণ বা যিকোনো অংশৰ ওপৰত ই যুক্তি সঙ্গত গণ্য কৰে, সেই তাৰিখৰ মাজত সম্পূৰ্ণ বা কোনো অংশৰ বাবে য'ত কাৰ্য্যৰ কাৰণসমূহ উদ্ভৱ হৈছিল আৰু যি তাৰিখত অধিনিৰ্ণয় দিয়া হৈছে।

(খ) এটা মধ্যস্থতা সম্পৰ্কীয় অধিনিৰ্ণয়ৰ দ্বাৰা আদায় দিব লগীয়া এটা ৰাশি, যদি মধ্যস্থতা সম্পৰ্কীয় বিচাৰৰ ৰায় অন্যথা নিৰ্দেশিত নকৰে, অধিনিৰ্ণয়ৰ তাৰিখৰ পৰা আদায় দিয়াৰ তাৰিখলৈ বছৰি ওঠৰ শতাংশ হাৰে সুদ প্ৰযোজ্য হয়।

(৮) যদি পক্ষ সমূহৰ দ্বাৰা অন্যথা সন্মত নহয় -

(ক) এটা মধ্যস্থতাৰ খৰছ মধ্যস্থতা ন্যায়াধিকৰণৰ দ্বাৰা ধাৰ্য্য কৰা হব;

(খ) মধ্যস্থতা ন্যায়াধিকৰণে বিনিৰ্দিষ্ট কৰিব -

(i) খৰছলৈ হক্‌দাৰ পক্ষ,

(ii) যি পক্ষই খৰছ আদায় দিব,

(iii) খৰছৰ পৰিমাণ বা সেই পৰিমাণ নিৰ্দ্ধাৰণৰ পদ্ধতি, আৰু

(iv) যি ধৰণে খৰছ আদায় দিয়া হব।

**স্পষ্টীকৰণ** - খণ্ড (ক)ৰ উদেশ্যৰ বাবে ''খৰছ'' মানে যুক্তিসঙ্গত খৰছ -

(i) মধ্যস্থতাকাৰীসকলৰ আৰু সাক্ষী সকলৰ মাচুল আৰু ব্যয়ৰ সম্পৰ্কত,

(ii) বিধিক মাচুল আৰু ব্যয়ৰ সম্পৰ্কত,

(iii) মধ্যস্থতা পৰিদৰ্শন কৰা প্ৰতিষ্ঠানৰ কোনো প্ৰশাসনিক মাচুলৰ সম্পৰ্কত, আৰু

(iv) মধ্যস্থতা কাৰ্য্যবাহী আৰু মধ্যস্থতা সম্পৰ্কীয় বিচাৰৰ ৰায়ৰ সম্পৰ্কত হোৱা অন্য যিকোনো ব্যয়ৰ সম্পৰ্কত।

কাৰ্য্যবাহীৰ সমাপ্তি।

৩২। (১) মধ্যস্থতা কাৰ্য্যবাহী চূড়ান্ত মধ্যস্থতা সম্পৰ্কীয় চূড়ান্ত অধিনিৰ্ণয় বা উপধাৰা (২)ৰ অধীনত এটা মধ্যস্থতা ন্যায়াধিকৰণৰ এটা আদেশৰ দ্বাৰা সমাপ্ত কৰা হব।

(২) মধ্যস্থতা ন্যায়াধিকৰণ মধ্যস্থতা কাৰ্য্যবাহীৰ সমাপ্তকৰণৰ বাবে এটা আদেশ জাৰী কৰিব য'ত -

(ক) দাবীদাৰে তেওঁৰ দাবী উঠাই লয়, যদি প্ৰতিবাদীয়ে আদেশৰ আপত্তি নকৰে আৰু মধ্যস্থতা ন্যায়াধিকৰণে বিবাদৰ এটা চূড়ান্ত নিষ্পত্তি পোৱাত তেওঁৰ ক্ষেত্ৰত এটা বিধি সিদ্ধ স্বাৰ্থ স্বীকৃতি নিদিয়ে,

(খ) পক্ষসমূহে কাৰ্য্যবাহীৰ সমাপ্তকৰণৰ ওপৰত সম্মত হয়, বা

(গ) মধ্যস্থতা ন্যায়াধিকৰণে লক্ষ্য কৰে যে কাৰ্য্যবাহী চলি থকাটো অন্য যিকোনো কাৰণৰ বাবে অনাৱশ্যক বা অসম্ভৱ।

(৩) ধাৰা ৩৩ আৰু ধাৰা ৩৪ৰ উপধাৰা (৪)ৰ সাপেক্ষে মধ্যস্থতা ন্যায়াধিকৰণৰ আদেশ মধ্যস্থতা কাৰ্য্যবাহীৰ সমাপ্তকৰণৰ সৈতে সমাপ্ত হব।

অধিনিৰ্ণয়ৰ শুদ্ধকৰণ আৰু অৰ্থকৰণ; অতিৰিক্ত অধিনিৰ্ণয়।

৩৩। (১) মধ্যস্থতা অধিনিৰ্ণয় প্ৰাপ্তিৰ পৰা ত্ৰিশ দিনৰ ভিতৰত, যদি পক্ষসমূহৰ দ্বাৰা অন্য পৰ্য্যায়ৰ সময়ত সম্মত নহয় --

(ক) এটা পক্ষ অন্য পক্ষলৈ জাননী সহ, যিকোনো গণনা কৰা ভুলসমূহৰ, যিকোনো লিখাৰ ভুল বা ছপাৰ ভুল বা সেই অধিনিৰ্ণয়ত হোৱা একে ধৰণৰ অন্য ভুলবোৰৰ শুদ্ধ কৰিবলৈ মধ্যস্থতা ন্যায়াধিকৰণক অনুৰোধ কৰিব পাৰে।

(খ) যদি পক্ষসমূহে এনেদৰে সম্মত হয়, এটা পক্ষই, অন্য পক্ষলৈ জাননী সহ, অধিনিৰ্ণয়ৰ এটা বিশিষ্ট কাৰণত বা অংশত এটা ব্যাখ্যাকৰণ মধ্যস্থতা ন্যায়াধিকৰণলৈ দিবলৈ অনুৰোধ কৰিব পাৰে।

(২) যদি মধ্যস্থতা ন্যায়াধিকৰণে উপধাৰা (১)ৰ অধীনত কৰা অনুৰোধ যুক্তি সঙ্গত বিবেচনা কৰে, ই শুদ্ধকৰণ কৰিব বা অনুৰোধৰ প্ৰাপ্তিৰ ত্ৰিশ দিনৰ ভিতৰত বাখ্যা কৰিব আৰু বাখ্যাই মধ্যস্থতা অধিনিৰ্ণয়ৰ অংশ গঠন কৰিব।

(৩) মধ্যস্থতা ন্যায়াধিকৰণে উপধাৰা (১)ৰ খণ্ড (ক)ত উল্লিখিত ধৰণৰ যিকোনো ভুল মধ্যস্থতা সম্পৰ্কীয় অধিনিৰ্ণয়ৰ তাৰিখৰ পৰা ত্ৰিশ দিনৰ ভিতৰত শুদ্ধ কৰিব পাৰে।

(৪) যদি পক্ষসমূহৰ দ্বাৰা অন্যথা সম্মত নহয়, এটা পক্ষই অন্য পক্ষলৈ জাননী সহ, মধ্যস্থতা সম্পৰ্কীয় বিচাৰৰ ব্যয়ৰ প্ৰাপ্তিৰ পৰা ত্ৰিশ দিনৰ ভিতৰত মধ্যস্থতা কাৰ্য্যবাহীত উপস্থাপিত দাবীৰ সম্বন্ধত এটা অতিৰিক্ত মধ্যস্থতা সম্পৰ্কীয় অধিনিৰ্ণয়ৰ প্ৰণয়ন কৰিবলৈ কিন্তু মধ্যস্থতা সম্পৰ্কীয় অধিনিৰ্ণয়ৰ পৰা বাদ দি অনুৰোধ কৰিব পাৰে।

(৫) যদি মধ্যস্থতা ন্যায়াধিকৰণে উপধাৰা (৪)ৰ অধীনত প্ৰণয়ন কৰা অনুৰোধ যুক্তিসঙ্গত বিবেচনা কৰে, ই এনে অনুৰোধ প্ৰাপ্তিৰ পৰা ষাঠি দিনৰ ভিতৰত এটা অতিৰিক্ত মধ্যস্থতা সম্পৰ্কীয় অধিনিৰ্ণয় দিব।

(৬) মধ্যস্থতা ন্যায়াধিকৰণে যদি আৱশ্যক হয়, সেই সময়ৰ বিস্তাৰ কৰিব পাৰে যাৰ ভিতৰত ই এটা শুদ্ধ কৰিব, এটা বাখ্যা কৰিব বা উপধাৰা (২) বা উপধাৰা (৫)ৰ অধীনত এটা অতিৰিক্ত মধ্যস্থতা সম্পৰ্কীয় অধিনিৰ্ণয় দিব।

(৭) ধাৰা ৩১য়ে এটা মধ্যস্থতা সম্পৰ্কীয় অধিনিৰ্ণয় শুদ্ধকৰণক বা বাখ্যা বা এই ধাৰাৰ অধীনত প্ৰণয়ন কৰা এটা অতিৰিক্ত মধ্যস্থতা সম্পৰ্কীয় অধিনিৰ্ণয়লৈ প্ৰযোজ্য হব।

## অধ্যায় - VII

### মধ্যস্থতা সম্পৰ্কীয় অধিনিৰ্ণয়ৰ বিৰুদ্ধে উপায়

মধ্যস্থতা সম্পৰ্কীয় অধিনিৰ্ণয়ৰ ৰদ্ কৰিবলৈ আবেদন।

৩৪। (১) উপধাৰা (২) আৰু উপধাৰা (৩)ৰ অনুসৰি এনে অধিনিৰ্ণয়ৰ ৰদ্ কৰিবৰ বাবে কেৱল মাত্ৰ এখন আবেদনৰ দ্বাৰা এটা মধ্যস্থতা সম্পৰ্কীয় অধিনিৰ্ণয়ৰ বিৰুদ্ধে এখন আদালতৰ আশ্ৰয় লব পৰা যায়।

(২) এটা মধ্যস্থতা সম্পৰ্কীয় অধিনিৰ্ণয়ৰ ন্যায়ালয়ৰ দ্বাৰা ৰদ্ কৰিব পাৰি যদি --

(ক) আবেদন কৰা পক্ষই প্ৰমাণ কৰিব পাৰে যে -

(i) এটা পক্ষই কিছুমান অক্ষমতাৰ অধীনত আছিল; বা

(ii) মধ্যস্থতা চুক্তি বিধিৰ অধীনত বৈধ নহয় যিবোৰত পক্ষসমূহ ইয়াৰ সাপেক্ষে আছিল বা তৎকালিন বলবৎ থকা বিধিৰ অধীনত তাৰ ওপৰত যিকোনো কাৰণত অসফলতা; বা

(iii) আবেদন কৰা পক্ষ এজন মধ্যস্থতাকাৰীৰ নিযুক্তিৰ বা মধ্যস্থতা সম্পৰ্কীয় কাৰ্য্যবাহীৰ উচিত জাননী দিয়া হোৱা নাছিল বা অন্যথা তেওঁৰ গোচৰটো নিবেদন কৰিবলৈ অসমৰ্থ আছিল; বা

(iv) বিবেচিত নোহোৱা বিবাদ বা মধ্যস্থতাৰ দাখিলৰ চৰ্ত্তৰ ভিতৰত নপৰা মধ্যস্থতা সম্পৰ্কীয় অধিনিৰ্ণয় বা মধ্যস্থতা দাখিলৰ উদ্দেশ্যে বাহিৰত বিষয়বস্তুৰ ওপৰত ই সিদ্ধান্তসমূহ ৰাখে ঃ

পৰন্তু, যদি মধ্যস্থতা উপস্থাপন কৰা বিষয়বস্তুৰ ওপৰত সিদ্ধান্তসমূহ এনেদৰে উপস্থাপন নকৰা সেইসমূহ পৃথক কৰিব পৰা যায়, মধ্যস্থতা সম্পৰ্কীয় অধিনিৰ্ণয়ৰ সেই ভাগ কেৱল যিয়ে বিষয়বস্তুসমূহৰ ওপৰত মধ্যস্থতালৈ উপস্থাপন নকৰা সিদ্ধান্তসমূহ ৰাখে, ৰদ্ কৰিব পৰা যায়; বা

(v) মধ্যস্থতা ন্যায়াধিকৰণৰ বা মধ্যস্থতা প্ৰক্ৰিয়া পক্ষসমূহৰ গঠন পক্ষসমূহৰ চুক্তি অনুসৰি হোৱা নাছিল, যদিহে এনে চুক্তি এই ভাগৰ এটা বিধানৰ সৈতে বিৰোধ নাছিল য'ৰ পৰা পক্ষসমূহে হ্ৰাস কৰিব নোৱাৰে, বা এনে চুক্তিৰ অসফলতাত এই ভাগ অনুসৰি নাছিল; বা

(খ) ন্যায়ালয়ে পায় যে

(i) বিবাদৰ বিষয়বস্তু তৎকালিন বলবৎ থকা বিধিৰ অধীনত মধ্যস্থতাৰ দ্বাৰা নিষ্পত্তিৰ উপযুক্ত নহয়; বা

(ii) মধ্যস্থতা সম্পৰ্কীয় অধিনিৰ্ণয় ভাৰতৰ ৰাজহুৱা পলিচিৰ সৈতে বিবাদমান হৈ আছে।

**স্পষ্টীকৰণ** - উপখণ্ড (ii)ৰ ব্যাপকতাৰ ওপৰত প্ৰতিকূল প্ৰভাৱ নপৰাকৈ ইয়াৰ দ্বাৰা ঘোষণা কৰা হৈছে, যিকোনো সন্দেহৰ দূৰীকৰণৰ বাবে, যে ডাকৰ এটা ৰাজহুৱা পলিচিৰ সৈতে অধিনিৰ্ণয় বিবাদমান হৈ আছে, যদি অধিনিৰ্ণয় প্ৰণয়নত প্ৰৱঞ্চনা বা দুৰ্নীতিৰ দ্বাৰা প্ৰনোদিত বা প্ৰভাৱিত হৈছিল বা ধাৰা ৭৫ বা ধাৰা ৮১ৰ উলংঘনত কৰা হৈছিল।

(৩) ৰদ্‌কৰণৰ বাবে এখন আবেদন সেই তাৰিখৰ পৰা তিনিমাহ অতিক্ৰম কৰাৰ পিছত কৰা নহব য'ত সেই আবেদন কৰা পক্ষই মধ্যস্থতা অধিনিৰ্ণয় প্ৰাপ্ত কৰিছে বা, যদি ধাৰা ৩৩ৰ অধীনত এটা অনুৰোধ সেই তাৰিখৰ পৰা কৰা হয় য'ত মধ্যস্থতা ন্যায়াধিকৰণৰ দ্বাৰা সেই অনুৰোধ নিষ্পত্তি কৰা হৈছে ঃ

পৰন্তু যদি ন্যায়ালয়ে সন্তুষ্ট হয় যে সেই তিনিমাহ কালৰ ভিতৰত আবেদনৰ প্ৰণয়ন কৰাৰ পৰা পৰ্য্যাপ্ত কালৰ দ্বাৰা আবেদনকাৰীক বাধা দিয়া হৈছিল, ই অতিৰিক্ত ত্ৰিশ দিনৰ কালৰ ভিতৰত আবেদনখন গ্ৰহণ কৰিব পাৰে, কিন্তু তাৰ পিছত নহয়।

(৪) উপধাৰা (১)ৰ অধীনত এখন আবেদন প্ৰাপ্ত কৰাত, ন্যায়ালয়ে য'ত এইটো সমুচিত আৰু এটা পক্ষৰ দ্বাৰা এনেদৰে অনুৰোধ কৰা হয়, মধ্যস্থতা সম্পৰ্কীয় কাৰ্য্যবাহীসমূহ পুনৰ আৰম্ভ কৰিবলৈ মধ্যস্থতা ন্যায়াধিকৰণক এটা সুযোগ দিয়াৰ বাবে ইয়াৰ দ্বাৰা নিৰ্দ্ধাৰণ কৰা এটা কালৰ বাবে কাৰ্য্যবাহী স্থগিতকৰণ কৰিব পাৰে বা এনে অন্য কাৰ্য্যব্যৱস্থা লবলৈ যেনেদৰে মধ্যস্থতা ন্যায়াধিকৰণৰ বিবেচনাত মধ্যস্থতা সম্পৰ্কীয় অধিনিৰ্ণয় ৰদ্ কৰিবৰ বাবে কাৰণসমূহ ত্যাগ কৰিব।

## অধ্যায় - VIII

### মধ্যস্থতা অধিনিৰ্ণয়ৰ চুড়ান্তকৰণ আৰু বলবৎকৰণ

মধ্যস্থতা সম্পৰ্কীয় অধিনিৰ্ণয়ৰ চুড়ান্ত কৰণ।

৩৫। এই ভাগৰ সাপেক্ষে এটা মধ্যস্থতা সম্পৰ্কীয় অধিনিৰ্ণয় চুড়ান্ত হ'ব আৰু যথাক্ৰমে সেইবোৰৰ অধীনত দাবী কৰা পক্ষ আৰু ব্যক্তিসকলৰ ওপৰত বাধ্য থাকিব।

বলবৎকৰণ। ১৯০৮ৰ ৫

৩৬। যʼত অধিনিৰ্ণয়ৰ অধীনত মধ্যস্থতা সম্পৰ্কীয় অধিনিৰ্ণয় ৰদ্ কৰিবলৈ এখন আবেদন কৰাৰ বাবে সময় চিভিল প্ৰক্ৰিয়া সংহিতা, ১৯০৮ৰ অধীনত সেই একেধৰণে বলবৎ কৰা হব যেন ই ন্যায়ালয়ৰ এটা ডিক্ৰী আছিল।

## অধ্যায় - IX

আপীলযোগ্য আদেশ সমূহ।

৩৭। (১) নিম্নলিখিত আদেশসমূহৰ পৰা (আৰু অন্যৰ পৰা নহয়) বিধিৰ দ্বাৰা প্ৰাধিকৃত ন্যায়ালয়লৈ ন্যায়ালয়ৰ মূল ডিক্ৰীৰ পৰা আপীলসমূহ শুনানীলৈ আদেশ পাৰিত কৰা ন্যায়ালয়লৈ এটা আপীল চলিব অৰ্থাৎ ঃ-

(ক) ধাৰা ৯ৰ অধীনত যিকোনো উপায় মঞ্জুৰ কৰা বা মঞ্জুৰ কৰিবলৈ অস্বীকাৰ;

(খ) ধাৰা ৩৪ৰ অধীনত এটা স্বেচ্ছাচাৰী অধিনিৰ্ণয় ৰদ্ কৰিবলৈ প্ৰত্যাখ্যান বা অস্বীকাৰ কৰি।

(২) মধ্যস্থতা ন্যায়াধিকৰণৰ এটা আদেশৰ পৰা এখন ন্যায়ালয়লৈ এটা আলো চলিব -

(ক) ধাৰা ১৬ৰ উপধাৰা (২) বা উপধাৰা (৩)লৈ উল্লিখিত কাৰণ গ্ৰহণ কৰি; বা

(খ) ধাৰা ১৭ৰ অধীনত এটা অৰ্ন্তবৰ্তী ব্যৱস্থা মঞ্জুৰ কৰি, বা মঞ্জুৰ কৰিবলৈ অস্বীকাৰ কৰি।

(৩) এই ধাৰাৰ অধীনত আপীলত পাৰিত কৰা এটা আদেশৰ পৰা দ্বিতীয় আপীল নচলিব, কিন্তু এই ধাৰাত থকা কোনো কথাই উচ্চতম ন্যায়ালয়লৈ আপীল কৰিবলৈ কোনো দাবী প্ৰভাৱিত নকৰিব বা প্ৰত্যাহাৰ নকৰিব।

## অধ্যায় - X

## বিবিধ

জমা।

৩৮। (১) মধ্যস্থতা ন্যায়াধিকৰণে জমাৰ ৰাশি বা অনুপূৰক জমা ধাৰ্য্য কৰিব, যথাস্থিতি, ধাৰা ৩১ৰ উপধাৰা (৮)লৈ উল্লিখিত খৰছৰ বাবে অগ্ৰিম হিচাবে, যিটো ই আশা কৰে ইয়ালৈ দাখিল কৰা দাবীৰ সম্পৰ্কত হব ঃ

পৰন্তু যʼত, দাবীৰ উপৰিও, এটা বিপৰীত মধ্যস্থতা ন্যায়াধিকৰণলৈ দাখিল কৰা হৈছে, ই পৃথক কৰি দাবী আৰু বিপৰীত দাবীৰ জমাৰ ৰাশি ধাৰ্য্য কৰিব।

(২) উপধাৰা (১)ত উল্লিখিত জমা পক্ষসমূহৰ দ্বাৰা সমান অংশত দেয় হবঃ

পৰন্তু যʼত এটা পক্ষই তেওঁ অংশ জমা আদায় দিবলৈ অসফল হয়, অন্য পক্ষই সেই অংশ আদায় দিব পাৰে ঃ

উপৰন্তু যʼত অন্য পক্ষইও দাবী বা বিপৰীত দাবীৰ সম্পৰ্কত পূৰ্বোক্ত অংশ আদায় নিদিয়ে, মধ্যস্থতা ন্যায়াধিকৰণে এনে দাবী বা প্ৰতি দাবীৰ সম্পৰ্কত মধ্যস্থতা কাৰ্য্যবাহী নিলম্বিত বা যথাস্থিতি সমাপ্ত কৰিব পাৰে।

(৩) মধ্যস্থতা কাৰ্য্যবাহীসমূহৰ সমাপ্তিত, মধ্যস্থতা ন্যায়াধিকৰণে জমাৰ প্ৰাপ্তিত পক্ষবোৰলৈ হিচাব দিব আৰু পক্ষ বাঁ যথাস্থিতি পক্ষসমূহলৈ যিকোনো খৰছ নোহোৱা অৱশিষ্ট ঘূৰাই দিব।

মধ্যস্থতা সম্পৰ্কীয় অধিনিৰ্ণয় আৰু জমাৰ মৃত্যুৰ বিষয়ে স্বত্ব।

৩৯। (১) উপধাৰা (২)ৰ উপবন্ধবোৰৰ সাপেক্ষে, আৰু মধ্যস্থতা চুক্তিৰ বিপৰীত যিকোনো উপবন্ধলৈ, মধ্যস্থতা ন্যায়াধিকৰণে মধ্যস্থতা যিকোনো আদায় নিদিয়া মূল্যৰ বাবে মধ্যস্থতা সম্পৰ্কীয় অধিনিৰ্ণয়ৰ ওপৰত এটা স্বত্ব থাকিব।

(২) যদি যিকোনো গোচৰত এখন মধ্যস্থতা ন্যায়াধিকৰণে ইয়াৰ দ্বাৰা দাবী কৰা মূল্যৰ আদায়ৰ ব্যতিৰেকে ইয়াৰ অধিনিৰ্ণয় প্ৰদান কৰিবলৈ অস্বীকাৰ কৰে, এই অৰ্থে এখন আবেদনৰ ওপৰত, আদেশ দিব যে মধ্যস্থতা ন্যায়াধিকৰণে দাবী কৰা মূল্য আবেদনকাৰীৰ দ্বাৰা ন্যায়ালয়ত আদায় দিয়াত আবেদনকাৰীলৈ মধ্যস্থতা অধিনিৰ্ণয় প্ৰদান কৰিব, আৰু এনে তদন্তৰ পাছত, যদি কিবা থাকে, যিদৰে ই উচিত বুলি ভাবে, ইয়াৰ আদেশ দিব যে ন্যায়ালয়লৈ এনেদৰে আদায় দিয়া ৰাশিৰ পৰা এনে ৰাশি মূল্যৰ দ্বাৰা মধ্যস্থতা

ন্যায়াধিকৰণলৈ আদায় দিয়া হব যেনেদৰে ন্যায়ালয়ে যুক্তি সঙ্গত বিবেচনা কৰে আৰু টকাৰ অৱশিষ্ট, যদি কিবা থাকে আবেদনকাৰীলৈ ঘূৰাই দিয়া হব।

(৩) যিকোনো পক্ষৰ দ্বাৰা উপধাৰা (২)ৰ অধীনত এখন আবেদন কৰিব পৰা যায় যদি দাবী কৰা মাচুল তেওঁ আৰু মধ্যস্থতা ন্যায়াধিকৰণৰ মাজত লিখিত চুক্তিৰ দ্বাৰা নিৰ্দ্ধাৰণ কৰা নহব, আৰু মধ্যস্থতা ন্যায়াধিকৰণ উপস্থিত থাকিবলৈ আৰু এনে আবেদনৰ ওপৰত শুনানী লবলৈ হক্‌দাৰ হব।

(৪) মধ্যস্থতা মূল্যৰ সম্পৰ্কত ন্যায়ালয়ে এনে আদেশ কৰিব পাৰে যেনেদৰে ই উচিত বুলি ভাবে য'ত এনে মূল্যৰ সম্পৰ্কত যিকোনো প্ৰশ্নৰ উদ্ভৱ হয় আৰু মধ্যস্থতা সম্পৰ্কীয় অধিনিৰ্ণয়ত সেইবোৰৰ সম্পৰ্কত এনে কোনো উপবন্ধ নাথাকে।

**মধ্যস্থতা চুক্তিৰ সম্পৰ্কিত পক্ষৰ মৃত্যুৰ দ্বাৰা সম্পাদিত কৰা নহব।**

৪০। (১) যিকোনো পক্ষৰ মৃত্যুৰ দ্বাৰা এটা মধ্যস্থতা চুক্তিৰ তাত সম্পাদন কৰা নহব হয় মৃতকৰ সম্পৰ্কত বা অন্য যিকোনো পক্ষৰ সম্পৰ্কত কিন্তু এনে ক্ষেত্ৰত মৃতকৰ বৈধ প্ৰতিলিপিৰ দ্বাৰা বা বিৰুদ্ধে বলবৎকৰণ হব।

(২) এজন মধ্যস্থতাকাৰীৰ আদেশ যিকোনো পক্ষৰ মৃত্যুৰ দ্বাৰা সমাপ্ত নহব যাৰ দ্বাৰা তেওঁ নিযুক্ত হৈছিল।

(৩) এই ধাৰাত থকা কোনো কথাই যিকোনো বিধিৰ কাৰ্য্যকৰীকৰণত প্ৰভাৱিত নকৰিব যাৰ গুণত কোনো কাৰ্য্যৰ দাবী এজন ব্যক্তিৰ মৃত্যুৰ দ্বাৰা লোপ কৰা হয়।

**যোত্ৰহীনতাৰ ক্ষেত্ৰত উপবন্ধ সমূহ।**

৪১। (১) য'ত এটা চুক্তিৰ এটা সংজ্ঞাৰ দ্বাৰা এইটো উপবন্ধিত কৰা হয় য'লৈ এজন যোত্ৰহীন এটা পক্ষ হয় যে তাৰ পৰা উদ্ভৱ হোৱা কোনো বিবাদ বা তাৰ সৈতে সম্পৰ্কিত মধ্যস্থতালৈ দাখিল কৰা হব, সেই সংজ্ঞা, যদি গ্ৰহনকাৰীয়ে চুক্তিটো গ্ৰহণ কৰে, তেওঁৰ দ্বাৰা বা বিৰুদ্ধে বলবৎকৰণ হব যিমানদূৰ পৰা যায় ই এনে কোনো বিবাদত সম্পৰ্কিত হয়।

(২) য'ত এজন ব্যক্তি যাক এজন যোত্ৰহীন হিচাবে অধিনিৰ্ণীত কৰা হয়, যোত্ৰহীনতাৰ কাৰ্য্যবাহীসমূহৰ প্ৰাৰম্ভণৰ আগত, মধ্যস্থতাৰ চুক্তিৰ এটা পক্ষ হৈছে আৰু যিকোনো বিষয়বস্তু য'লৈ চুক্তিটো প্ৰযোজ্য হয় যোত্ৰহীনতাৰ কাৰ্য্যবাহীৰ সম্পৰ্কত বা উদ্দেশ্যসমূহৰ বাবে নিৰ্দ্ধাৰণ কৰিবলৈ অপেক্ষিত হয়, তেতিয়া, যদি গোচৰটো এটা হয় য'লৈ উপধাৰা (১) প্ৰযোজ্য নহয়, অন্য যিকোনো পক্ষ বা গ্ৰহনকাৰীয়ে যোত্ৰহীনতাৰ কাৰ্য্যবাহীত অধিকাৰিতা থকা ন্যায়িক প্ৰাধিকাৰীলৈ এটা আদেশৰ বাবে নিৰ্দেশিত কৰি আবেদন কৰিব পাৰে যে প্ৰশ্ন সম্বন্ধীয় বিষয়বস্তুটো মধ্যস্থতা সম্পৰ্কীয় চুক্তি অনুসৰি মধ্যস্থতালৈ দাখিল কৰা হব, আৰু ন্যায়িক প্ৰাধিকাৰীয়ে, যদি ইয়াৰ এইটো মত হয় যে গোচৰৰ সকলো পৰিস্থিতিৰ ওপৰৰ দৃষ্টি ৰাখি, মধ্যস্থতাৰ দ্বাৰা বিষয়টো নিৰ্দ্ধাৰণ কৰা হ'লহেতেন, তদনুসাৰে এটা আদেশ কৰিব।

(৩) এই ধাৰাত অভিব্যক্তি ''গ্ৰহনকাৰী'' য়ে এটা চৰকাৰী আৰোপকাৰীক অন্তৰ্ভুক্ত কৰে।

**অধিকাৰিতা।**

৪২। তৎকালিন বলবৎ থকা আন কতোৱেই এই ভাগত বা অন্য যিকোনো বিধিত কোনো কথা থকা স্বত্বেও, য'ত এটা মধ্যস্থতা চুক্তিৰ সম্পৰ্কত এই ভাগৰ অধীনত কোনো আবেদন এখন ন্যায়ালয়লৈ কৰা হৈছে, সেই ন্যায়ালয়ৰ অকলে মধ্যস্থতা কাৰ্য্যবাহীত আৰু পিছৰ আবেদনসমূহৰ ওপৰত সেই চুক্তিৰ ফলত উদ্ভৱ হোৱাৰ ওপৰত অধিকাৰিতা থাকিব আৰু মধ্যস্থতা কাৰ্য্যবাহী সেই ন্যায়ালয়লৈ কৰা হব আৰু অন্য ন্যায়ালয়ত নহয়।

**পৰিসীমা। ১৯৬৩ৰ ৩৬**

৪৩। (১) পৰিসীমা অধিনিয়ম, ১৯৬৩, মধ্যস্থতাত প্ৰযোজ্য হব যেনেদৰে ই ন্যায়ালয়ৰ কাৰ্য্যবাহীত প্ৰযোজ্য হয়।

(২) এই ধাৰাৰ প্ৰয়োজনাৰ্থে পৰিসীমা অধিনিয়ম, ১৯৬৩, এটা মধ্যস্থতা প্ৰাৰম্ভণ হোৱা বুলি ধাৰা ২১ত উল্লিখিত তাৰিখত গণ্য কৰা হব।

(৩) য'ত এটা মধ্যস্থতা চুক্তি ভবিষ্যতে হব পৰা বিবাদ মধ্যস্থতা দাখিল কৰিবলৈ উপবন্ধিত কৰিব যে যিকোনো দাবী য'লৈ চুক্তি প্ৰযোজ্য হয় বাধা দিয়া হব যদি মধ্যস্থতা কাৰ্য্যবাহী আৰম্ভ কৰিবলৈ কিছুমান পদক্ষেপ চুক্তিৰ দ্বাৰা নিৰ্দ্ধাৰিত সময়ৰ ভিতৰত কৰা হৈছে আৰু বিবাদ উদ্ভৱ হয় যিটোত চুক্তি প্ৰযোজ্য হয়, ন্যায়ালয়ে, যদি ইয়াৰ মত হয় যে গোচৰৰ পৰিস্থিতিত অথবা জটিলতা অন্যথা পাৰিত হ'ব আৰু হোৱা স্বত্বেও,

যে এনেদৰে নিৰ্দ্ধাৰণ কৰা সময় অৱসান হৈছে, এনে চৰ্ত্তৰ ওপৰত, যদি কিবা থাকে, যেনেদৰে গোচৰটোৰ ন্যায় অপেক্ষিত কৰিব পাৰে, এনে কালৰ বাবে সময় বিস্তাৰ কৰিব যেনেদৰে ই উচিত ভাবে।

১৯৬৩ৰ ৩৬ (৪) য'ত ন্যায়ালয়ে আদেশ দিয়ে যে এটা মধ্যস্থতা সম্পৰ্কীয় অধিনিৰ্ণয় ৰদ্ কৰা হওঁক, মধ্যস্থতা প্ৰাৰম্ভণৰ আৰু ন্যায়ালয়ৰ আদেশৰ তাৰিখৰ মাজৰ কালৰ পৰিসীমা অধিনিয়ম, ১৯৬৩ৰ দ্বাৰা বিহিত সময় গণনা কৰোতে কাৰ্য্যবাহীৰ প্ৰাৰম্ভণৰ বাবে (মধ্যস্থতা সহ) এনেদৰে দাখিল কৰা বিবাদৰ সম্পৰ্কত বাদ দিয়া হ'ব।

## ভাগ - II

## কিছুমান বৈদেশিক অধিনিৰ্ণয়ৰ বলবৎকৰণ

### অধ্যায় - I

### নিউইয়ৰ্ক অভিসময়ৰ অধিনিৰ্ণয়

সংজ্ঞা। ৪৪। এই অধ্যায়ত, যদি প্ৰসঙ্গত অন্যথা অপেক্ষিত নহলে ''বৈদেশিক অধিনিৰ্ণয়'' মানে এটা বিধিক সম্বন্ধৰ সম্পৰ্কত উদ্ভৱ হোৱা ব্যক্তিসকলৰ মাজত মতভেদৰ ওপৰত এটা মধ্যস্থতা সম্পৰ্কীয় অধিনিৰ্ণয় চুক্তিয়েই হওঁক বা নহওঁক, জ্ঞাত বলবৎ বিধিৰ অধীনত ১৯৬০ৰ অক্টোবৰৰ ১১ত বা তাৰ পিছত বাণিজ্যিক হিচাবে বিবেচিত হয় -

(ক) মধ্যস্থতাৰ বাবে লিখিত এখন চুক্তিৰ অনুসৰি য'লৈ অভিসময় প্ৰথম অনুসূচীত দিয়া হৈছে, প্ৰযোজ্য হয়, আৰু

(খ) এনে ৰাজ্য সমূহৰ এখনত যেনেদৰে কেন্দ্ৰীয় চৰকাৰে, সন্তুষ্ট হয় যে সমানুপাতিক উপবন্ধসমূহ প্ৰমাণ কৰা হৈছে চৰকাৰী ৰাজপত্ৰত অধিসূচনাৰ দ্বাৰা, ৰাজ্য হিচাবে ঘোষণা কৰা য'লৈ অভিসময় প্ৰযোজ্য হয়।

ন্যায়িক প্ৰাধিকাৰীৰ মধ্যস্থতা প্ৰেৰণ কৰিবলৈ ক্ষমতা। ৪৫। ভাগ I বা চিভিল প্ৰক্ৰিয়া সংহিতা, ১৯০৮ত কোনো কথা থকা স্বত্বেও, এটা ন্যায়িক প্ৰাধিকাৰী, যেতিয়া এটা বিষয়বস্তুৰ এটা কাৰ্য্যব্যৱস্থাৰ ক্ৰোক কৰা হয় যাৰ সম্পৰ্কত ধাৰা ৪৪ত উল্লিখিত এটা চুক্তি পক্ষ সমূহে পক্ষসমূহৰ এটাৰ অনুৰোধত প্ৰণয়ন কৰিছে বা তাৰ মাজেৰে বা দ্বাৰা দাবী কৰা কোনো ব্যক্তি মধ্যস্থতালৈ পক্ষসমূহক প্ৰেৰণ কৰিব যদি ই নাপায় যে সেই চুক্তিটো বাতিল, অকাৰ্য্যকৰ, বা সম্পাদন কৰিবলৈ অসমৰ্থ।

যেতিয়া বৈদেশিক অধিনিৰ্ণয় বাধ্য থাকে। ৪৬। এই অধ্যায়ৰ অধীনত যিকোনো বৈদেশিক অধিনিৰ্ণয় যিটো বলবৎযোগ্য হ'ব ব্যক্তিসকলৰ মাজত উদ্দেশ্যসমূহৰ বাবে বাধ্য হিচাবে গণ্য কৰা হ'ব যেনেদৰে যি সকলৰ মাজত ইয়াক কৰা হৈছিল, আৰু তদনুসাৰে সেই ব্যক্তিৰ যিকোনো প্ৰতিৰক্ষা, ব্যৱস্থাৰ ওলোটা দাবী বা অন্যথাৰ দ্বাৰা ভাৰতত যিকোনো বিধিক কাৰ্য্যবাহীত নিৰ্ভৰশীল হ'ব আৰু এই অধ্যায়ত যিকোনো উল্লেখ এটা বৈদেশিক অধিনিৰ্ণয়ৰ ওপৰত বিশ্বাস কৰিবলৈ উল্লেখ অন্তৰ্ভুক্ত হিচাবে বাখ্যা কৰা হ'ব।

সাক্ষ্য। ৪৭। (১) এটা অধিনিৰ্ণয় বলবৎকৰণৰ বাবে আবেদন কৰা পক্ষ, আবেদন কৰাৰ সময়ত, ন্যায়ালয়ৰ সন্মুখত পেচ কৰিব -

(ক) মূল অধিনিৰ্ণয় বা তাৰ এটা প্ৰতিলিপি সেই দেশৰ বিধিৰ দ্বাৰা অপেক্ষিত ধৰণে সঠিকভাবে আচল বুলি প্ৰমাণ কৰা য'ত ইয়াক প্ৰণয়ন কৰা হৈছিল;

(খ) মধ্যস্থতাৰ বাবে মূল চুক্তি বা তাৰ এটা সঠিকভাবে প্ৰমাণিত প্ৰতিলিপি; আৰু

(গ) এনে সাক্ষ্য যেনেদৰে প্ৰমাণ কৰিবলৈ আৱশ্যক হয় যে অধিনিৰ্ণয়টো এটা বৈদেশিক অধিনিৰ্ণয়।

(২) যদি উপধাৰা (১)ৰ অধীনত দেখুওৱাব লগীয়া অধিনিৰ্ণয় বা চুক্তি এটা বৈদেশিক ভাষাত হয়, অধিনিৰ্ণয় বলবৎ কৰিবলৈ ইচ্ছা কৰা পক্ষই সেই দেশৰ বিদেশী ৰাজ্যৰ প্ৰতিনিধি বিষয়া সম্বন্ধিত প্ৰতিনিধিৰ দ্বাৰা য'ত এনে ৰীতিত প্ৰমাণিত শুদ্ধৰূপে ইংৰাজীত অনুবাদ পেচ কৰিব যিদৰে ভাৰতত বলবৎ অনুসাৰে পৰ্য্যাপ্ত হয়।

**স্পষ্টীকৰণ** - এই ধাৰাত আৰু এই অধ্যায়ৰ পিছৰ সকলো ধাৰাত ''ন্যায়ালয়'' মানে এখন জিলাৰ মূল অধিকাৰিতাৰ মুখ্য চিভিল ন্যায়ালয়, অধিনিৰ্ণয়ৰ বিষয়বস্তুৰ ওপৰত অধিকাৰিতা থকা, যদি সেই একেবোৰ বাদত বিষয় হ'লহেতেন, কিন্তু এনে মুখ্য চিভিল ন্যায়ালয়ৰ নিম্ন এটা পদবীৰ যিকোনো চিভিল ন্যায়ালয় বা ক্ষুদ্ৰ কাৰণ সমূহৰ যিকোনো ন্যায়ালয় অন্তৰ্ভুক্ত নকৰে।

বৈদেশিক অধিনিৰ্ণয় বলবৎকৰণৰ বাবে চৰ্তসমূহ।

৪৮। (১) এটা বৈদেশিক অধিনিৰ্ণয় বলবৎকৰণ অস্বীকাৰ কৰিব পৰা যায়, পক্ষৰ অনুৰোধত যাৰ বিৰুদ্ধে ইয়াক অনুৰোধ কৰা হয়, কেৱল যদি সেই পক্ষই ন্যায়ালয়লৈ প্ৰমাণ দিয়ে যে -

(ক) ধাৰা ৪৪ত উল্লিখিত চুক্তিলৈ পক্ষসমূহ, সেইবোৰলৈ প্ৰযোজ্য বিধিৰ অধীনত, কিছুমান অসমৰ্থতাৰ অধীনত বা সেই চুক্তিৰ বিধিৰ অধীনত বৈধ নহয় য'লৈ পক্ষসমূহে ইয়াক বিষয়বস্তু কৰিছিল, বা সেই দেশৰ বিধিৰ অধীনত তাৰ ওপৰত যিকোনো নিৰ্দেশৰ অসফলতাত য'ত অধিনিৰ্ণয় প্ৰদান কৰা হৈছিল; বা

(খ) পক্ষ যাৰ বিৰুদ্ধে অধিনিৰ্ণয় প্ৰদান কৰা হয় মধ্যস্থতাকাৰীৰ নিযুক্তিৰ সঠিক জাননী দিয়া হোৱা নাছিল বা মধ্যস্থতা কাৰ্য্যবাহীৰ বা অন্যথা তেওঁৰ গোচৰটো উপস্থাপন কৰিবলৈ অসমৰ্থ আছিল; বা

(গ) মধ্যস্থতা উপস্থাপনৰ বিবেচিত নোহোৱা বা চৰ্তৰ ভিতৰত নপৰা অধিনিৰ্ণয় ব্যৱধানত থাকিব বা ই মধ্যস্থতা উপস্থাপনৰ উদ্দেশ্যৰ বাহিৰৰ বিষয়ৰ ওপৰত সিদ্ধান্ত ৰাখিব ঃ

পৰন্তু, যদি মধ্যস্থতা দাখিল কৰা বিষয়বস্তুসমূহৰ ওপৰত সিদ্ধান্তসমূহ এনেদৰে দাখিল কৰাবোৰৰ পৰা পৃথক কৰিব পাৰি অধিনিৰ্ণয়ৰ সেই অংশ যিয়ে মধ্যস্থতাত দাখিল কৰা বিষয়বস্তুৰ ওপৰত সিদ্ধান্তসমূহ ৰাখে বলবৎ কৰিব পাৰি, বা

(ঘ) মধ্যস্থতা প্ৰাধিকাৰীৰ গঠন বা মধ্যস্থতা প্ৰক্ৰিয়া পক্ষসমূহৰ চুক্তিৰ অনুসৰি নহয় বা এনে চুক্তিৰ অসফলতাত সেই দেশৰ বিধিৰ অনুসৰি নহয় য'ত মধ্যস্থতা হৈছিল, বা

(ঙ) অধিনিৰ্ণয় পক্ষসমূহৰ ওপৰত তেতিয়াও আবদ্ধ নাথাকে বা ৰদ্ কৰা হৈছে বা সেই দেশৰ এটা উপযুক্ত প্ৰাধিকাৰীৰ দ্বাৰা নিলম্বিত কৰা হৈছে য'ত, বা যাৰ বিধিৰ অধীনত, সেই অধিনিৰ্ণয় কৰা হৈছিল।

(২) এটা মধ্যস্থতাৰ অধিনিৰ্ণয় বলবৎকৰণ অস্বীকাৰ কৰিব পাৰি যদি ন্যায়ালয়ে দেখে যে -

(ক) ব্যৱধানৰ বিষয়বস্তু ভাৰতৰ বিধিৰ অধীনত মধ্যস্থতাৰ দ্বাৰা নিষ্পত্তি কৰিবলৈ সমৰ্থ নহয়; বা

(খ) অধিনিৰ্ণয়ৰ বলবৎকৰণ ভাৰতৰ ৰাজহুৱা নীতিৰ বিপৰীত হব।

**স্পষ্টীকৰণ** - খণ্ড (খ)ৰ ব্যাপকতাৰ ওপৰত প্ৰতিকূল প্ৰভাৱ নপৰাকৈ এইটো ইয়াৰ দ্বাৰা যিকোনো সন্দেহ দূৰীকৰণৰ ঘোষণা কৰা হৈছে যে অধিনিৰ্ণয় ভাৰতৰ ৰাজহুৱা নীতিৰ সৈতে বিবাদমান হৈ আছে যদি অধিনিৰ্ণয় প্ৰণয়নত প্ৰবঞ্চনা বা দুৰ্নীতিৰ দ্বাৰা প্ৰৰোচিত বা প্ৰভাৱিত কৰা হৈছিল।

(৩) যদি উপধাৰা (১)ৰ খণ্ড (ঙ)ত উল্লিখিত এটা সক্ষম প্ৰাধিকাৰীলৈ অধিনিৰ্ণয়ৰ ৰদ্ কৰণ বা নিলম্বনকৰণৰ বাবে এখন আবেদন কৰা হয়, যদি ন্যায়ালয়ে, উচিত বিবেচনা কৰে, অধিনিৰ্ণয়ৰ বলবৎকৰণৰ ওপৰত সিদ্ধান্ত স্থগিত কৰিব আৰু অধিনিৰ্ণয়ৰ বলবৎকৰণ দাবী কৰা পক্ষৰ আবেদনৰ ওপৰত, অন্য পক্ষক উপযুক্ত সুৰক্ষা দিবলৈ আদেশ দিব পাৰে।

বৈদেশিক অধিনিৰ্ণয়ৰ বলবৎকৰণ।

৪৯। য'ত ন্যায়ালয় সন্তুষ্ট হয় যে এই অধ্যায়ৰ অধীনত বৈদেশিক অধিনিৰ্ণয় বলবৎ কৰিব পৰা যায়, অধিনিৰ্ণয়ক সেই ন্যায়ালয়ৰ এটা ডিক্ৰী হিচাবে গণ্য কৰা হব।

আপীলযোগ্য আদেশ সমূহ।

৫০। (১) এটা আপীল,

(ক) ধাৰা ৪৫ৰ অধীনত মধ্যস্থতাৰ পক্ষক নিৰ্দেশ কৰাক;

(খ) ধাৰা ৪৮ৰ অধীনত এটা বৈদেশিক অধিনিৰ্ণয়ৰ বলবৎ কৰণক অস্বীকাৰ কৰি দিয়া আদেশৰ ওপৰত বিধিৰ দ্বাৰা প্ৰাধিকৃত ন্যায়ালয়ত এনে আদেশৰ শুনানী লবলৈ আপীল চলিব।

(২) এই ধাৰাৰ অধীনত আপীল পাৰিত হোৱা এটা আদেশৰ পৰা কোনো দ্বিতীয় আপীল নচলিব, কিন্তু এই ধাৰাত থকা কোনো কথাই উচ্চতম ন্যায়ালয়লৈ আপীল কৰিবলৈ যিকোনো স্বত্ব প্ৰভাৱিত নকৰিব বা গ্ৰহন নকৰিব।

ব্যাবৃতি। ৫১। এই অধ্যায়ত থকা কোনো কথাই কোনো স্বত্বত প্ৰতিকূল প্ৰভাৱ নেপেলাব যিটো কোনো ব্যক্তি ভাৰতত যিকোনো অধিনিৰ্ণয়ৰ বলবৎকৰণ বা কোনো অধিনিৰ্ণয়ৰ উপভোগ কৰিলেহেঁতেন যদি এই অধ্যায় অধিনিয়মিত কৰা নহলহেঁতেন।

অধ্যায় II প্ৰযোজ্য নহব। ৫২। এই ভাগৰ অধ্যায় II বৈদেশিক অধিনিৰ্ণয়ৰ সম্পৰ্কত প্ৰযোজ্য নহব য'লৈ এই অধ্যায় প্ৰযোজ্য হয়।

## অধ্যায় - II

## জেনেভা অভিসময় অধিনিৰ্ণয়

অৰ্থকৰণ। ৫৩। এই অধ্যায়ত ''বৈদেশিক অধিনিৰ্ণয়'' মানে ২৮ জুলাই ১৯২৪ৰ পাছত ভাৰতৰ বলবৎ বিধিৰ অধীনত বাণিজ্যিক হিচাবে বিবেচিত বিষয়বস্তুৰ সম্পৰ্কত মতভেদৰ ওপৰত এটা মধ্যস্থতা অধিনিৰ্ণয় -

(ক) এটা মধ্যস্থতাৰ বাবে এটা চুক্তিৰ অনুসৰি য'লৈ প্ৰ'ট'কলজনে মানিবলগীয়া ৰীতি নীতি প্ৰকাশ দ্বিতীয় অনুসূচীত প্ৰযোজ্য হয়, আৰু

(খ) ব্যক্তিসকলৰ মাজত যাৰ এটা অন্য এটাৰ অধিকাৰিতা সাপেক্ষে এনে ক্ষমতাসমূহ যেনেদৰে কেন্দ্ৰীয় চৰকাৰে, সন্তুষ্ট হয় যে পাৰস্পৰিক উপবন্ধসমূহ প্ৰণয়ন কৰা হৈছে, চৰকাৰী ৰাজপত্ৰত অধিসূচনাৰ দ্বাৰা পক্ষসমূহ বুলি তৃতীয় অনুসূচীত বৰ্ণিত চুক্তিৰ সভাত প্ৰকাশ হিচাবে ঘোষণা কৰা হৈছে, আৰু যাৰ মাজত অন্যটো পূৰ্বোক্ত ক্ষমতাসমূহৰ আন কিছুমান অধিকাৰিতাৰ সাপেক্ষে হয়, আৰু

(গ) এনে ৰাজ্য ক্ষেত্ৰসমূহৰ এটা যেনেদৰে কেন্দ্ৰীয় চৰকাৰে সন্তুষ্ট হয় যে পাৰস্পৰিক উপবন্ধসমূহ প্ৰণয়ন কৰা হৈছে সেই একে অধিসূচনাৰ দ্বাৰা ৰাজ্য ক্ষেত্ৰসমূহ বুলি ঘোষণা কৰিব পাৰে য'লৈ সেই প্ৰতিনিধি সকলৰ সভা প্ৰযোজ্য হব আৰু এই অধ্যায়ৰ প্ৰয়োজনাৰ্থে এটা অধিনিৰ্ণয় চূড়ান্ত হিচাবে গণ্য কৰা নহব যদি যিকোনো কাৰ্য্যবাহীসমূহ অধিনিৰ্ণয় বৈধতাৰ প্ৰতিদ্বন্দিতাৰ উদ্দেশ্য সেই দেশত স্থগন হয় য'ত ইয়াক প্ৰণয়ন কৰা হৈছিল।

ন্যায়িক প্ৰাধিকাৰীৰ পক্ষসমূহক মধ্যস্থতালৈ প্ৰেৰণ কৰিবলৈ ক্ষমতা। ৫৪। চিভিল প্ৰক্ৰিয়া সংহিতা, ১৯০৮ত কোনো কথা থকা স্বত্বেও, এটা ন্যায়িক প্ৰাধিকাৰীয়ে, এটা বিবাদৰ ক্ৰোককৰণ ব্যক্তিসকলৰ মাজত প্ৰণয়ন কৰা এটা চুক্তিৰ সম্পৰ্কত য'লৈ ধাৰা ৫৩ প্ৰযোজ্য হয় আৰু এটা মধ্যস্থতা চুক্তি অন্তৰ্ভুক্ত কৰি বৰ্তমান বা ভৱিষ্যত ভিন্নতাসমূহ উল্লেখ কৰি বা নকৰি, যিটো সেই ধাৰাৰ অধীনত বৈধ আৰু প্ৰভাৱিত কৰিবলৈ সামৰ্থ্য তেওঁলোকৰ যিকোনো এজনৰ আবেদনৰ ওপৰত পক্ষসমূহৰ প্ৰেৰণ কৰিব বা তেওঁৰ দ্বাৰা বা তেওঁৰ অধীনত দাবী কৰা যিকোনো ব্যক্তি মধ্যস্থতাকাৰীৰ সিদ্ধান্তলৈ আৰু এনে উল্লেখ ন্যায়িক প্ৰাধিকাৰীৰ সামৰ্থ্যৰ পক্ষপাতে নহব যদি চুক্তিটো বা মধ্যস্থতা অগ্ৰসৰ হব নোৱাৰে বা কাৰ্য্যকৰী নহয়।

বৈদেশিক অধিনিৰ্ণয় কেতিয়া বাধ্য থাকিব। ৫৫। যিকোনো বৈদেশিক অধিনিৰ্ণয় যিটো এই অধ্যায়ৰ অধীনত কাৰ্য্যকৰী হলহেঁতেন সকলো উদেশ্যসমূহৰ বাবে ব্যক্তিসমূহৰ ওপৰত বাধ্য থকা হিচাবে ধৰি লোৱা হব যেনেদৰে সেইসকলৰ মাজত ইয়াক প্ৰণয়ন কৰা হৈছিল আৰু তদনুসাৰে সেই ব্যক্তিসকলৰ প্ৰতি দাবী কৰা বা অন্যথা ভাৰতত যিকোনো বিধিক কাৰ্য্যবাহীত আৰু এই অধ্যায়ৰ এটা বৈদেশিক অধিনিৰ্ণয় বলবৎ কৰিবলৈ যিকোনো উল্লেখ এটা বিচাৰৰ ৰায়ৰ ওপৰত বিশ্বাস কৰিবলৈ উল্লেখ হিচাবে অন্তৰ্ভুক্ত কৰি ব্যাখ্যা কৰা হব।

সাক্ষ্য। ৫৬। এটা বৈদেশিক অধিনিৰ্ণয় বলবৎকৰণৰ বাবে আবেদন কৰা পক্ষই, আবেদন কৰাৰ সময়ত ন্যায়ালয়ত প্ৰদৰ্শন কৰিব -

(ক) মূল বিচাৰৰ ৰায় বা সঠিক ভাবে প্ৰমাণীকৃত তাৰ এটা নকল সেই দেশৰ বিধিৰ দ্বাৰা অপেক্ষিত ধৰণে যত ইয়াক প্ৰণয়ন কৰা হৈছিল;

(খ) সাক্ষ্যই প্ৰমাণ কৰে যে অধিনিৰ্ণয় চূড়ান্ত হৈছে; আৰু

(গ) এনে সাক্ষ্য প্ৰমাণ কৰিবলৈ আৱশ্যক যে ধাৰা ৫৭ৰ উপধাৰা (১)ৰ খণ্ড (ক) আৰু (গ)ত উল্লিখিত চৰ্ত্তসমূহ সন্তোষজনক।

(২) য'ত উপধাৰা (১)ৰ অধীনত পেচ কৰিবলগীয়া যিকোনো অপেক্ষিত দস্তাৱেজ এটা বিদেশী ভাষাত হয়, অধিনির্ণয় বলবৎ কৰিবলৈ ইচ্ছা কৰা পক্ষই সেইদেশৰ এজন মন্ত্ৰণা কুশল ব্যক্তি বা প্ৰতিনিধিস্বৰূপে অইন ৰাজ্যত ৰখা বিষয়াৰ দ্বাৰা শুদ্ধ হিচাবে ইংৰাজীলৈ অনুবাদ পেচ কৰিব য'লৈ সেই পক্ষ অধীন হয় বা শুদ্ধ হিচাবে প্ৰমাণীকৃত এনে অন্য ধৰণে যেনেদৰে ভাৰতত বলবৎ থকা বিধিৰ অনুসৰি পৰ্য্যাপ্ত হয়।

**স্পষ্টীকৰণ** - এই ধাৰাত আৰু এই অধ্যায়ৰ পাছত সকলো ধাৰাবোৰত "ন্যায়ালয়" মানে এখন জিলাত মূল অধিকাৰিতাৰ মুখ্য চিভিল ন্যায়ালয়, অধিনির্ণয়ৰ বিষয়বস্তুৰ ওপৰত অধিকাৰিতা থকা যদি সেইটো গোচৰটোৰ বিষয়বস্তু হ'লহেতেন, কিন্তু এনে মুল চিভিল ন্যায়ালয়ৰ নিম্ন পদবীৰ যিকোনো চিভিল ন্যায়ালয় বা ক্ষুদ্ৰ কাৰণ সমূহৰ ন্যায়ালয় অন্তৰ্ভুক্ত নকৰে।

বৈদেশিক বিচাৰৰ ৰায়ৰ বলবৎকৰণৰ বাবে চৰ্ত্তসমূহ।

৫৭। (১) এই অধ্যায়ৰ অধীনত এটা বৈদেশিক অধিনির্ণয় বলবৎ কৰিব পৰা যায়, এইটো আৱশ্যকীয় যে -

(ক) মধ্যস্থতালৈ এটা দাখিলকৰণৰ অনুমতি অধিনির্ণয় প্ৰণয়ন কৰা হৈছে যিটো তালৈ প্ৰযোজ্য বিধিৰ অধীনত বৈধ;

(খ) অধিনির্ণয়ৰ বিষয়বস্তু মধ্যস্থতাৰ দ্বাৰা ভাৰতৰ বিধিৰ অধীনত নিষ্পত্তিৰ বাবে যোগ্য হব;

(গ) মধ্যস্থতালৈ দাখিলকৰণৰ বাবে উপবন্ধিত মধ্যস্থতা ন্যায়াধিকৰণৰ দ্বাৰা অধিনির্ণয় প্ৰণয়ন কৰা হৈছে বা পক্ষবোৰৰ দ্বাৰা সন্মত হোৱা ধৰণে গঠিত আৰু মধ্যস্থতা পদ্ধতিৰ নিয়ন্ত্ৰন থকা বিধিৰ অনুসৰি;

(ঘ) সেই দেশত অধিনির্ণয় চূড়ান্ত হৈছে য'ত ইয়াক প্ৰণয়ন কৰা হৈছে, সেই অৰ্থত ইয়াক এনেদৰে বিবেচনা কৰা নহব যদি এইটো বিপক্ষলৈ বা আপীললৈ মুক্ত নহয় বা যদি এইটো প্ৰমাণিত হয় যে অধিনির্ণয় বৈধতা প্ৰতিদ্বন্দিতাৰ উদ্দেশ্যৰ বাবে বিচৰাধীন হয়;

(ঙ) অধিনির্ণয়ৰ বলবৎকৰণ ৰাজহুৱা নীতি বা ভাৰতৰ বিধিলৈ বিৰুদ্ধ নহয়।

**স্পষ্টীকৰণ** - খণ্ড (ঙ)ৰ ব্যাপকতাৰ ওপৰত প্ৰতিকূল প্ৰভাৱ নেপেলোৱাকৈ এইটো ইয়াৰ দ্বাৰা ঘোষণা কৰা হৈছে, যিকোনো সন্দেহ দূৰীকৰণৰ বাবে যে ভাৰতৰ ৰাজহুৱা ৰীতিৰ সৈতে এটা বিচাৰৰ ৰায় বিবাদমান হৈছে যদি অধিনির্ণয় প্ৰণয়ন প্ৰতাৰণা বা দুৰ্নীতিৰ দ্বাৰা প্ৰলোভিত বা প্ৰভাৱিত কৰা হৈছিল।

(২) যদিওবা উপধাৰা (১)ত দিয়া চৰ্ত্তসমূহ পূৰ্ণ কৰা হয়, অধিনির্ণয়ৰ বলবৎকৰণ অস্বীকাৰ কৰা হব যদি ন্যায়ালয় সন্তুষ্ট হয় যে -

(ক) অধিনির্ণয় সেই দেশত বাতিল কৰা হৈছে য'ত ইয়াক প্ৰণয়ন কৰা হৈছিল;

(খ) যি পক্ষৰ বিৰুদ্ধে অধিনির্ণয় ব্যৱহাৰ কৰিবলৈ বিচৰা হৈছে তেওঁৰ গোচৰটো উপস্থাপন কৰিবলৈ তেওঁক সমৰ্থবান কৰিবলৈ পৰ্য্যাপ্ত সময়ত মধ্যস্থতা কাৰ্য্যবাহীক জাননী দিয়া হোৱা নাছিল, বা যে, এটা বিধিক অসমৰ্থতাৰ অধীনত হোৱাত, তেওঁক সঠিকভাবে প্ৰতিনিধিত্ব কৰা হোৱা নাছিল।

(গ) অধিনির্ণয় মধ্যস্থতালৈ দাখিলকৰণৰ অৰ্থৰ ভিতৰত থাকে বা পৃথক কৰণৰ যিকোনোৰ দ্বাৰা ব্যৱহাৰ নকৰিব বা যে মধ্যস্থতালৈ দাখিলকৰণৰ পৰিসৰৰ বাহিৰত বিষয়বস্তুৰ ওপৰত সিদ্ধান্ত ধাৰণ কৰিব ঃ

পৰন্তু যদি অধিনির্ণয় মধ্যস্থতা ন্যায়াধিকৰণলৈ দাখিল কৰা সকলো ভিন্ন সমূহ আচ্ছাদিত নকৰে, ন্যায়ালয়ে, যদি ই উচিত বুলি ভাৱে এনে বলবৎকৰণ স্থগিত কৰিব পাৰে বা এনে নিশ্চয়তাৰ সাপেক্ষে মঞ্জুৰ কৰিব পাৰে যেনেদৰে ন্যায়ালয়ে সিদ্ধান্ত লব পাৰে।

(৩) যদি পক্ষটো যাৰ বিৰুদ্ধে অধিনির্ণয় দিয়া হৈছে মধ্যস্থতা পদ্ধতি পৰিচালিত কৰা বিধিৰ অধীনত প্ৰমাণ কৰে যে উপধাৰা (১)ৰ খণ্ড (ক) আৰু (গ) আৰু উপধাৰা (২)ৰ খণ্ড (খ) আৰু (গ)লৈ উল্লিখিত কাৰণবোৰৰ উপৰিও তাত এটা কাৰণ থাকে বিচাৰৰ ৰায়টোৰ বৈধতাৰ প্ৰতিদ্বন্দিতালৈ তেওঁক হকদাৰ কৰিব, ন্যায়ালয়ে, যদি ই উচিত বুলি ভাৱে, হয় অধিনির্ণয় বলবৎকৰণ অস্বীকাৰ কৰিব বা তাৰ বিবেচনা

স্থগিত কৰিব, এনে পক্ষক এটা যুক্তিসংগত সময় দিয়াৰ পাছত য'ৰ ভিতৰত উপযুক্ত ন্যায়াধিকৰণৰ দ্বাৰা অধিনিৰ্ণয় বাতিল কৰা হব।

বৈদেশিক অধি-নিৰ্ণয় সমূহৰ বলবৎ কৰণ।

৫৮। য'ত ন্যায়ালয়ে সন্তুষ্ট হয় যে এই অধ্যায়ৰ অধীনত বৈদেশিক অধিনিৰ্ণয় বলবৎ কৰিব পৰা যায়, অধিনিৰ্ণয় ন্যায়ালয়ৰ এটা ডিক্ৰী হিচাবে গণ্য কৰা হব।

আপীলযোগ্য আদেশ সমূহ।

৫৯। (১) এটা আপীল

(ক) ধাৰা ৫৪ৰ অধীনত মধ্যস্থতা পক্ষক নিৰ্দেশ কৰাক; আৰু

(খ) ধাৰা ৫৭ৰ অধীনত এটা বৈদেশিক অধিনিয়মৰ বলবৎকৰণক;

অস্বীকাৰ কৰি দিয়া আদেশৰ ওপৰত বিধিৰ দ্বাৰা প্ৰাধিকৃত ন্যায়ালয়ত এনে আদেশৰ শুনানী লবলৈ আপীল চলিব।

(২) এই ধাৰাৰ অধীনত আপীল পাৰিত এটা আদেশৰ পৰা কোনো দ্বিতীয় আপীল নাখাটিব, কিন্তু এই ধাৰাত থকা কোনো কথাই উচ্চতম ন্যায়ালয়লৈ আপীল কৰিবলৈ কোনো দবী নকৰিব বা প্ৰভাৱিত নকৰিব।

ব্যাবৃতি।

৬০। এই অধ্যায়ত থকা কোনো কথাই কোনো স্বত্বৰ ওপৰত প্ৰতিকূলে প্ৰভাৱ নেপেলাব যিটো কোনো ব্যক্তিৰে যিকোনো অধিনিৰ্ণয় ভাৰতত বলবৎ কৰিলেহেঁতেন বা যিকোনো অধিনিৰ্ণয় ভাৰতত তেওঁ নিজে উপভোগ কৰিলেহেঁতেন যদি এই অধ্যায়ত অধিনিয়মিত নহলহেঁতেন।

## ভাগ - III

## আপোচ

প্ৰয়োগ আৰু পৰিসৰ।

৬১। (১) তৎকালিন বলবৎ থকা যিকোনো বিধিৰ দ্বাৰা উপবন্ধিত ব্যতিৰেকে আৰু যদিহে পক্ষসমূহে অন্যথা সম্মত নহয়, এই অধ্যায় বিধিক সম্পৰ্কৰ পৰা উদ্ভৱ হোৱা বিবাদৰ আপোচলৈ, চুক্তি সম্পৰ্কীয় হওঁক বা নহওঁক আৰু তালৈ সম্পৰ্কিত সকলো কাৰ্য্যবাহীলৈ প্ৰয়োগ হব।

(২) তৎকালিন বলবৎ থকা যিকোনো বিধিৰ দ্বাৰা প্ৰযোজ্য নহব য'ত কেতবোৰ বিবাদ আপোচত দাখিল কৰা নহব পাৰে।

আপোচ কাৰ্য্যবাহী সমূহৰ প্ৰাৰম্ভণ।

৬২। (১) আপোচ আৰম্ভ কৰা পক্ষই অন্য পক্ষলৈ এই অংশৰ অধীনত আপোচ কৰিবলৈ, বিবাদৰ বিষয়বস্তু সংক্ষেপ লৈ চিহ্নিত কৰি এটা লিখিত আমন্ত্ৰণ জনাব।

(২) আপোচ কাৰ্য্যবাহী প্ৰাৰম্ভণ হব যেতিয়া অন্য পক্ষই আপোচ কৰিবলৈ লিখিত আমন্ত্ৰণ গ্ৰহণ কৰে।

(৩) যদি অন্য পক্ষই আমন্ত্ৰণ প্ৰত্যাখ্যাণ কৰে, তেতিয়া আপোচ কাৰ্য্যবাহী নহব।

(৪) যদি আপোচ আৰম্ভ কৰা পক্ষই সেই তাৰিখৰ পৰা ত্ৰিশ দিনৰ ভিতৰত এটা উত্তৰ নেপায় য'ত তেওঁ আমন্ত্ৰন পঠিয়ায় বা এনে অন্য কালৰ ভিতৰত যেনেদৰে আমন্ত্ৰনত বিনিৰ্দিষ্ট কৰা হয়, তেওঁ আপোচ কৰিবলৈ আমন্ত্ৰনৰ এটা প্ৰত্যাখ্যান হিচাবে ব্যৱহাৰ কৰিবলৈ নিৰ্বাচিত কৰিব পাৰে আৰু তেওঁ এনেদৰে নিৰ্বাচিত কৰে, তেওঁ তদনুসাৰে অন্য পক্ষলৈ লিখিত জাননী দিব।

আপোচকাৰীৰ সংখ্যা।

৬৩। (১) এজন আপোচকাৰী থাকিব যদি পক্ষসমূহে সম্মত নহয় যে তাত দুই বা তিনিজন আপোচকাৰী থাকিব।

(২) য'ত এজনৰ অধিক আপোচকাৰী থাকে, তেওঁলোকক এটা সাধাৰণ নিয়ম হিচাবে যুটীয়া ভাবে কাম কৰা উচিত।

আপোচকাৰীৰ নিযুক্তি। ৬৪। উপধাৰা (২)ৰ সাপেক্ষে –

(ক) আপোচ কাৰ্য্যবাহীত এজন আপোচকাৰীৰ সৈতে, পক্ষসমূহে এজন মাত্ৰ আপোচকাৰীৰ নামত সম্মত হব পাৰে;

(খ) এটা আপোচৰ কাৰ্য্যবাহীত দুজন আপোচকাৰীৰ সৈতে, প্ৰত্যেক পক্ষই এজন আপোচকাৰী নিযুক্তি দিব পাৰে;

(গ) আপোচ কাৰ্য্যবাহীত তিনিজন আপোচকাৰীৰ সৈতে, প্ৰত্যেক পক্ষই এজন আপোচকাৰী নিযুক্তি দিব পাৰে আৰু পক্ষসমূহে তৃতীয়জন আপোচকাৰীৰ নাম সমৰ্থন কৰিব পাৰে যিজনে সভাপতিত্ব কৰা আপোচকাৰী হিচাবে কাৰ্য্য কৰিব।

(২) পক্ষসমূহে এখন উপযুক্ত প্ৰতিষ্ঠান বা ব্যক্তিৰ সহায়ত আপোচ নিযুক্তিৰ সম্পৰ্কত নামভুক্ত কৰিব পাৰে, আৰু বিশেষকৈ,

(ক) এটা পক্ষই এনে এটা প্ৰতিষ্ঠান বা ব্যক্তিক উপযুক্ত ব্যক্তি সকলৰ নামসমূহ আপোচকাৰী হিচাবে কাৰ্য্য কৰিবলৈ অনুমোদন কৰিবলৈ নামভুক্ত কৰিব পাৰে; বা

(খ) পক্ষসমূহে সম্মত হব পাৰে যে এজন বা অধিক আপোচকাৰীৰ নিযুক্তি এনে এটা প্ৰতিষ্ঠান বা ব্যক্তিৰ দ্বাৰা প্ৰত্যক্ষ ভাবে কৰিব পৰা যায় ঃ

পৰন্তু আপোচকাৰী হিচাবে কাৰ্য্য কৰিবলৈ ব্যক্তিসমূহক অনুমোদন বা নিযুক্তি দিয়াত, প্ৰতিষ্ঠান বা ব্যক্তিয়ে এনে বিবেচনা সমূহত দৃষ্টি ৰাখিব যিয়ে এজন ব্যক্তিৰ আৰু নিৰপেক্ষ আপোচকাৰীৰ নিযুক্তিৰ সুৰক্ষা দিবলৈ আৰু এজন মাত্ৰ বা তৃতীয় আপোচকাৰীৰ সম্পৰ্কত পক্ষসমূহৰ জাতীয়তাৰ বাহিৰে এটা জাতীয়তাৰ এজন আপোচকাৰীৰ নিযুক্তিত উপদেশ হিচাবে লব।

আপোচকাৰীলৈ প্ৰবিৱৰণ সমূহৰ দাখিলকৰণ। ৬৫। (১) আপোচকাৰীয়ে, তেওঁৰ নিযুক্তিত, প্ৰত্যেক পক্ষক বিবাদৰ আৰু বিচাৰ্য্য বিষয়ৰ সাধাৰণ চৰিত্ৰ বৰ্ণনা কৰি এটা সংক্ষিপ্ত লিখিত প্ৰবিৱৰণ তেওঁলৈ দাখিল কৰিবলৈ অনুৰোধ কৰিব পাৰে, প্ৰত্যেক পক্ষই এনে প্ৰবিৱৰণৰ এটা নকল অন্য পক্ষলৈ প্ৰেৰণ কৰিব।

(২) আপোচকাৰীয়ে প্ৰত্যেক পক্ষক তেওঁৰ স্থান আৰু ঘটনা আৰু তাৰ সমৰ্থনৰ ওপৰত কাৰণবোৰৰ এটা অতিৰিক্ত লিখিত প্ৰতিবেদন দাখিল কৰিবলৈ অনুৰোধ কৰিব পাৰে, অন্য যিকোনো দস্তাবেজসমূহ আৰু অন্য সাক্ষ্যসমূহ অন্তৰ্ভুক্ত কৰি যিটো এনে পক্ষই সঠিক গণ্য কৰে। পক্ষই এনে প্ৰবিৱৰণ, দস্তাবেজসমূহ আৰু অন্য সাক্ষ্যৰ এটা নকল অন্য পক্ষলৈ পঠিয়াব।

(৩) আপোচ কাৰ্য্যবাহীৰ যিকোনো অৱস্থাত, আপোচকাৰীয়ে এটা পক্ষক এনে অতিৰিক্ত জাননী তেওঁলৈ দাখিল কৰিবলৈ অনুৰোধ কৰিব পাৰে যেনেদৰে তেওঁ সঠিক গণ্য কৰে।

**স্পষ্টীকৰণ** - এই ধাৰাত আৰু এই ভাগৰ নিম্নলিখিত ধাৰাবোৰত, শব্দ "আপোচকাৰী" এজন মাত্ৰ আপোচকাৰী বা যথাস্থিতি দুই বা তিনিজন আপোচকাৰীলৈ প্ৰযোজ্য হয়।

কিছুমান অধিনিয়মিতিৰ দ্বাৰা আপোচকাৰী বাধ্য নাথাকিব। ৬৬। আপোচকাৰী চিভিল প্ৰক্ৰিয়া সংহিতা, ১৯০৮ বা ভাৰতীয় সাক্ষ্য অধিনিয়ম, ১৮৭২ মানিবলৈ বাধ্য নহব। ১৯০৮ৰ ৫ ১৮৭২ৰ ১

আপোচকাৰীৰ ভূমিকা। ৬৭। (১) আপোচকাৰীয়ে তেওঁলোকৰ বিবাদৰ এটা বন্ধুত্বপূৰ্ণ নিষ্পত্তি কৰিবলৈ তেওঁলোকৰ চেষ্টাত এটা স্বাধীন আৰু বিনাপক্ষপাতী ৰীতিত পক্ষসমূহক সহায়তা কৰিব।

(২) আপোচকাৰীয়ে বাহ্যিক বস্তু সম্পৰ্কীয়, আশাপ্ৰদ আৰু ন্যায়ৰ পক্ষসমূহৰ অন্য বস্তবোৰ, দাবী আৰু দায়িত্বসমূহৰ মাজত বিবেচনা কৰি নিয়মাৱলীৰ দ্বাৰা পৰিচালিত হব, সংশ্লিষ্ট ব্যৱসায়ৰ ব্যৱস্থা আৰু বিবাদৰ চাৰিওঁফালৰ পৰিস্থিতি, পক্ষবোৰৰ মাজত যিকোনো পূৰ্বৰ ব্যৱসায়ৰ অন্তৰ্ভুক্ত হব।

(৩) আপোচকাৰীয়ে আপোচ কাৰ্য্যবাহীসমূহ এনে ৰীতিত পৰিচালনা কৰিব যেনেদৰে তেওঁ উপযুক্ত বিবেচনা কৰে, গোচৰৰ পাৰিপাৰ্শ্বিকতাৰ ওপৰত হিচাব কৰি, ইচ্ছুক পক্ষসমূহৰ এটা পক্ষৰ দ্বাৰা যিকোনো

অনুৰোধ অন্তৰ্ভুক্ত কৰি আপোচকাৰীয়ে মৌখিক প্ৰবিৱৰণ শুনিব পাৰে, আৰু বিবাদৰ শীঘ্ৰে নিষ্পত্তিৰ বাবে আৱশ্যকতা ব্যক্ত কৰিব পাৰে।

(৪) আপোচকাৰীয়ে আপোচ কাৰ্য্যবাহীৰ যিকোনো অৱস্থাত, এটা বিবাদৰ নিষ্পত্তিকৰণৰ বাবে প্ৰস্তাৱ কৰিব পাৰে। এনে প্ৰস্তাৱ সমূহ লিখিত নহব আৰু সেই বাবে প্ৰবিৱৰণৰ কাৰণ সমূহৰ দ্বাৰা সংলগ্ন নহব।

প্ৰশাসনিক সহায়তা।

৬৮। আপোচ কাৰ্য্যবাহী সমূহৰ ব্যৱসায় সুচল কৰিবলৈ, পক্ষসমূহে বা আপোচকাৰীয়ে, পক্ষসমূহৰ সম্মতি সহ, এটা উপযুক্ত প্ৰতিষ্ঠান বা ব্যক্তিৰ দ্বাৰা প্ৰশাসনিক সহায়তা যো-জা কৰিব পাৰে।

আপোচকাৰী আৰু পক্ষসমূহৰ মাজত যোগাযোগ।

৬৯। (১) আপোচকাৰীয়ে তেওঁক লগ কৰিবলৈ বা তেওঁৰ লগত মৌখিকভাৱে বা মৌখিক ভাৱে যোগাযোগ কৰিবলৈ আমন্ত্ৰন জনাব পাৰে। তেওঁ পক্ষসমূহক একেলগে বা তেওঁলোকক প্ৰত্যেককে পৃথকভাবে লগ কৰিব বা যোগাযোগ কৰিব পাৰে।

(২) যদি পক্ষসমূহে স্থানৰ ওপৰত সম্মত নহয় য'ত আপোচকাৰীৰ সৈতে সভা আহ্বান কৰা হব, এনে স্থান আপোচকাৰীৰ দ্বাৰা পক্ষসমূহৰ সৈতে পৰামৰ্শ কৰি, আপোচ কাৰ্য্যবাহীৰ পৰিস্থিতিৰ ওপৰত দৃষ্টি ৰাখি নিৰ্দ্ধাৰণ কৰা হব।

জাননীৰ প্ৰকাশ।

৭০। যেতিয়া আপোচকাৰীয়ে এটা পক্ষৰ পৰা বিবাদৰ সম্পৰ্কত ঘটনাৰ জাননী গ্ৰহণ কৰে, তেওঁ আন পক্ষক সেই জাননীৰ সাৰাংশ প্ৰকাশ কৰিব সেই বাবে যে অন্য পক্ষই যিকোনো স্পষ্টীকৰণ উপস্থাপন কৰিবলৈ সুবিধা পায় যিটো তেওঁ সঠিক বিবেচনা কৰে ঃ

পৰন্তু যেতিয়া এটা পক্ষই যিকোনো জাননী আপোচকাৰীক দিয়ে এটা নিৰ্দিষ্ট চৰ্ত্তৰ সাপেক্ষে যিটো গোপনে ৰখা হয়, আপোচকাৰীয়ে সেই জাননী অন্য পক্ষক প্ৰকাশ নকৰিব।

আপোচকাৰীৰ সৈতে পক্ষসমূহৰ সহযোগ।

৭১। পক্ষ সমূহে সৰল বিশ্বাসত আপোচকাৰীৰ সৈতে সহযোগ কৰিব আৰু বিশেষতঃ আপোচকাৰীৰ দ্বাৰা অনুৰোধসমূহ পালন কৰিবলৈ চেষ্টা কৰিব, সাক্ষ্য উপবন্ধ কৰিব আৰু সভাত উপস্থিত থাকিব।

বিবাদৰ নিষ্পত্তিৰ বাবে পক্ষসমূহৰ দ্বাৰা পৰামৰ্শ।

৭২। প্ৰত্যেক, তেওঁৰ নিজৰ প্ৰথম পদক্ষেপত বা আপোচকাৰীৰ আমন্ত্ৰনত বিবাদৰ নিষ্পত্তিকৰণৰ বাবে আপোচকাৰীলৈ পৰামৰ্শসমূহ দাখিল কৰিব।

নিষ্পত্তিৰ চুক্তি।

৭৩। (১) যেতিয়া আপোচকাৰীৰ এইটো দেখা যায় যে এটা নিষ্পত্তিৰ প্ৰধান উপাদান থাকে যিটো পক্ষসমূহলৈ গ্ৰহণযোগ্য হব পাৰে, তেওঁ এটা সম্ভৱপৰ প্ৰবিৱৰণৰ চৰ্ত্তৰ নিয়ম বান্ধি দিব আৰু তেওঁলোকৰ নিৰীক্ষণৰ বাবে পক্ষ সমূহলৈ দাখিল কৰিব, পক্ষসমূহৰ নিৰীক্ষণ সমূহ প্ৰাপ্ত কৰাৰ পাচত, আপোচকাৰীয়ে এনে নিৰীক্ষণৰ ওপৰত এটা সম্ভৱপৰ নিষ্পত্তিৰ চৰ্ত্তৰ পুনৰ নিয়ম বান্ধি দিব পাৰে।

(২) যদি পক্ষ সমূহে এটা বিবাদৰ এটা নিষ্পত্তিৰ ওপৰত এটা চুক্তিত উপনীত হয়, তেওঁলোকে এটা লিখিত চুক্তি স্বাক্ষৰিত কৰিব। যদি পক্ষসমূহৰ দ্বাৰা অনুৰোধ কৰা হয়, আপোচকাৰী বন্দোৱস্ত চুক্তিটো শ্ৰেণীবদ্ধ কৰিব পাৰে বা পক্ষসমূহক শ্ৰেণীবদ্ধ কৰিবলৈ সহায় কৰিব পাৰে।

(৩) যেতিয়া পক্ষসমূহে বন্দোৱস্ত চুক্তি স্বাক্ষৰিত কৰে, এইটো তেওঁলোকৰ অধীনত যথাক্ৰমে দাবী কৰা পক্ষসমূহ আৰু ব্যক্তিসমূহৰ ওপৰত চুড়ান্ত হব আৰু বাধ্য থাকিব।

(৪) আপোচকাৰীয়ে বন্দোবস্ত চুক্তি আচল বুলি প্ৰমাণিত কৰিব আৰু পক্ষসমূহৰ প্ৰত্যেককে তাৰ এটা প্ৰতিলিপি দিব।

বন্দোবস্ত চুক্তিৰ মৰ্য্যদা আৰু পৰিণাম।

৭৪। বন্দোবস্ত চুক্তিৰ সেই একে স্থিতি আৰু প্ৰভাৱ থাকিব যেনিবা ধাৰা ৩০ৰ অধীনত মধ্যস্থতা ন্যায়াধিকৰণৰ দ্বাৰা কৰা এটা বিবাদৰ বিষয়বস্তুৰ ওপৰত সম্মত চৰ্ত্তত এটা মধ্যস্থতা মূলক অধিনিৰ্ণয় হয়।

গোপনীয়তা।

৭৫। তৎকালিন বলবৎ থকা যিকোনো বিধিত কোনো কথা থকা স্বত্বেও, আপোচকাৰী আৰু পক্ষসমূহে মধ্যস্থতা কাৰ্যবাহীসমূহৰ সম্পৰ্কত সকলো বিষয়বস্তুৰ ওপৰত গোপনীয়তা অৱলম্বন কৰিব, গোপনীয়তা বন্দোৱস্তী চুক্তিলৈও বিস্তাৰিত হব, তাৰ ব্যতিৰেকে য'ত ইয়াৰ প্ৰকাশ প্ৰয়োগ আৰু বলবৎ কৰণৰ প্ৰয়োজনাৰ্থে আৱশ্যক হয়।

আপোচ কাৰ্য্য-বাহীৰ সমাপ্তি।

৭৬। আপোচ কাৰ্য্যবাহী সমাপ্ত কৰা হব -

(ক) চুক্তিৰ তাৰিখত পক্ষসমূহৰ দ্বাৰা বন্দোৱস্ত চুক্তিৰ সাক্ষ্যৰ দ্বাৰা; বা

(খ) আপোচকাৰীৰ এটা লিখিত ঘোষণাৰ দ্বাৰা, পক্ষসমূহৰ সৈতে পৰামৰ্শ কৰাৰ পাছত যে আপোচৰ বাবে অতিৰিক্ত চেষ্টা ঘোষণাৰ তাৰিখত ন্যায়সংগত নহয়, বা

(গ) আপোচকাৰীলৈ সম্বোধিত পক্ষসমূহৰ এটা লিখিত ঘোষণাৰ দ্বাৰা যে আপোচ কাৰ্য্যবাহী ঘোষণাৰ তাৰিখত সমাপ্ত কৰা হৈছে, বা

(ঘ) এটা পক্ষৰ লিখিত ঘোষণাৰ দ্বাৰা অন্য পক্ষলৈ আৰু আপোচকাৰী যদি নিযুক্ত কৰা হয় সেই প্ৰভাৱলৈ যে ঘোষণাৰ তাৰিখত আপোচ কাৰ্য্যবাহী সমাপ্ত কৰা হৈছে।

মধ্যস্থতা বা ন্যায়িক কাৰ্য্যবাহী সমূহৰ আশ্ৰয় লোৱা।

৭৭। আপোচ কাৰ্য্যবাহী বিষয়বস্তুৰ বিবাদৰ ক্ষেত্ৰত কোনো মধ্যস্থতা বা ন্যায়িক কাৰ্য্যবাহী, আপোচ কাৰ্য্যবাহী চলি থাকোতে পক্ষসমূহে আৰম্ভ নকৰিব তাৰ ব্যতিৰেকে যে এটা পক্ষই মধ্যস্থতা বা ন্যায়িক কাৰ্য্যবাহী আৰম্ভ কৰিব পাৰে য'ত তেওঁ মতত তেওঁৰ স্বত্ব পৰিৰক্ষাৰ বাবে এনে কাৰ্য্যবাহীবোৰ আৱশ্যক।

খৰছ।

৭৮। (১) আপোচ কাৰ্য্যবাহীৰ সমাপ্তিত, আপোচকাৰীয়ে আপোচৰ খৰছ নিৰ্দ্ধাৰণ কৰিব আৰু পক্ষসমূহলৈ তাৰ লিখিত জাননী দিব।

(২) উপধাৰা (১)ৰ উদ্দেশ্যৰ বাবে, ''খৰছ'' মানে নিম্নলিখিতবোৰৰ সম্বন্ধত খৰছ -

(ক) আপোচকাৰীৰ মাচুল আৰু ব্যয় আৰু পক্ষসমূহৰ সম্মতি সহ আপোচকাৰীৰ দ্বাৰা অনুৰোধ কৰা সাক্ষী সমূহ;

(খ) পক্ষসমূহৰ সম্মতিসহ আপোচকাৰীৰ দ্বাৰা অনুৰোধ কৰা যিকোনো সুদক্ষ উপদেশ;

(গ) ধাৰা ৬৪ আৰু ধাৰা ৬৮ৰ উপধাৰা (২)ৰ খণ্ড (খ)ৰ অনুসৰি উপবন্ধিত যিকোনো সহায়তা;

(ঘ) আপোচ কাৰ্য্যবাহী আৰু বন্দোৱস্ত চুক্তিৰ সম্পৰ্কত হোৱা অন্য যিকোনো ব্যয়সমূহ;

(৩) পক্ষসমূহৰ দ্বাৰা সমভাবে খৰছ বহন কৰা হব যদি বন্দোৱস্ত চুক্তি এটা ভিন্ন নিযুক্তিৰ বাবে উপবন্ধিত নহয়।

জমা।

৭৯। (১) আপোচকাৰীয়ে ধাৰা ৭৮ৰ উপধাৰা (২)ত উল্লিখিত খৰছৰ বাবে এটা অগ্ৰিম হিচাবে এটা সম পৰিমাণ জমা দিবলৈ প্ৰত্যেক পক্ষকে নিৰ্দেশ দিব পাৰে যিটো তেওঁ আশা কৰা দৰে উপগত হব।

(২) আপোচ কাৰ্য্যবাহী চলি থাকোতে, আপোচকাৰীয়ে প্ৰত্যেক পক্ষৰ পৰা এটা সম পৰিমাণৰ পৰিপূৰক জমা কৰিবলৈ নিৰ্দেশ দিব পাৰে।

(৩) যদি ত্ৰিশ দিনৰ ভিতৰত উভয় পক্ষৰ দ্বাৰা অপেক্ষিত জমা উপধাৰা (১) আৰু (২)ৰ অধীনত সম্পূৰ্ণভাবে আদায় দিয়া নহয়, আপোচকাৰীয়ে কাৰ্য্যবাহি নিলম্বিত কৰিব পাৰে বা পক্ষসমূহলৈ কাৰ্য্যবাহীৰ সমাপ্তিৰ সেই ঘোষণাৰ তাৰিখত এটা লিখিত ঘোষণা কৰিব পাৰে।

(৪) আপোচ কাৰ্য্যবাহীৰ সমাপ্তিত, আপোচকাৰীয়ে প্ৰাপ্ত জমা হিচাবে পক্ষসমূহলৈ দিব আৰু পক্ষসমূহলৈ যিকোনো ব্যয় নোহোৱা অৱশিষ্ট পক্ষসমূহলৈ ঘূৰাই দিব।

অন্য কাৰ্যবাহীত আপোচকাৰীৰ ভূমিকা।

৮০। যদি পক্ষসমূহৰ দ্বাৰা অন্যথা সন্মত নহয় -

(ক) আপোচকাৰীয়ে এজন মধ্যস্থতাকাৰী হিচাবে বা এজন প্ৰতিনিধি হিচাবে বা এটা পক্ষৰ পৰামৰ্শদাতা হিচাবে এটা বিবাদৰ সম্পৰ্কত যিকোনো মধ্যস্থতা বা ন্যায়িক কাৰ্য্যবাহীত কাৰ্য্য সম্পাদন নকৰিব যিটো আপোচকাৰীৰ বিষয়বস্তু হয়;

(খ) আপোচকাৰীক পক্ষসমূহৰ দ্বাৰা এজন সাক্ষী হিচাবে যিকোনো মধ্যস্থতা বা ন্যায়িক কাৰ্য্যবাহীত উপস্থাপন কৰা নহব।

অন্য কাৰ্য্যবাহী-সমূহত সাক্ষীৰ গ্ৰহনীয়তা।

৮১। পক্ষসমূহে কোনো মধ্যস্থতা বা ন্যায়িক কাৰ্য্যবাহীত এটা সাক্ষী হিচাবে নিৰ্ভৰ নকৰিব বা চিনাক্ত নকৰিব এনে কাৰ্য্যবাহী বিবাদ সম্বন্ধত হওঁক বা নহওঁক যিটো আপোচ কাৰ্য্যবাহীৰ বিষয়বস্তু হয় -

(ক) বিবাদৰ এটা সম্ভৱপৰ বন্দোৱস্তৰ সম্পৰ্কত অন্য পক্ষৰ দ্বাৰা অভিব্যক্ত কৰা মত বা পৰামৰ্শবোৰ;

(খ) আপোচ কাৰ্য্যবাহী চলি থাকোতে অন্য পক্ষৰ দ্বাৰা কৰা স্বীকাৰ;

(গ) আপোচকাৰীৰ দ্বাৰা কৰা প্ৰস্তাৱ সমূহ;

(ঘ) সেইটো সত্য যে আপোচকাৰীৰ দ্বাৰা কৰা এটা প্ৰস্তাৱৰ নিষ্পত্তিৰ বাবে গ্ৰহণ কৰিবলৈ তেওঁৰ ইচ্ছা অন্য পক্ষই অন্য উল্লেখ কৰিছে।

## ভাগ - IV

## পৰিপূৰক উপবন্ধসমূহ

উচ্চন্যায়ালয়ৰ নিয়মসমূহ প্ৰণয়ন কৰিবলৈ ক্ষমতা।

৮২। উচ্চন্যায়ালয়ে এই অধিনিয়মৰ অধীনত ন্যায়ালয়ৰ সন্মুখত সকলো কাৰ্য্যবাহীসমূহৰ বিষয়ে অধিনিয়মৰ সুসংগত নিয়মসমূহ প্ৰণয়ন কৰিব পাৰে।

জটিলতা দূৰীকৰণ।

৮৩। (১) যদি এই অধিনিয়মৰ উপবন্ধসমূহ কাৰ্য্যকৰী কৰোতে কোনো জটিলতাৰ উদ্ভৱ হয়, কেন্দ্ৰীয় চৰকাৰে চৰকাৰী ৰাজপত্ৰত প্ৰকাশিত আদেশৰ দ্বাৰা জটিলতা দূৰীকৰণৰ বাবে এই অধিনিয়মৰ উপবন্ধ সমূহৰ অসংগত নোহোৱাকৈ যিটো আৱশ্যক বা সমীচিন হয় এনে উপবন্ধ সমূহ প্ৰণয়ন কৰিব পাৰে ঃ

পৰন্তু এই অধিনিয়মৰ প্ৰাৰম্ভণৰ তাৰিখৰ পৰা দুই বছৰ কালৰ অৱসানৰ পাছত এনে কোনো আদেশ কৰা নহব।

(২) এই ধাৰাৰ অধীনত কৰা প্ৰত্যেক আদেশ, প্ৰণীত কৰাৰ পাছত লগে লগেই সংসদৰ প্ৰত্যেক সদনৰ সন্মুখত উত্থাপিত কৰা হব।

নিয়মসমূহ প্ৰণয়ন কৰিবলৈ ক্ষমতা।

৮৪। (১) কেন্দ্ৰীয় চৰকাৰে, চৰকাৰী ৰাজপত্ৰত অধিসূচনাৰ দ্বাৰা এই অধিনিয়মৰ উপবন্ধসমূহ কাৰ্য্যকৰী কৰিবৰ বাবে নিয়মসমূহ প্ৰণয়ন কৰিব পাৰে।

(২) এই অধিনিয়মৰ অধীনত কেন্দ্ৰীয় চৰকাৰৰ দ্বাৰা প্ৰণীত প্ৰত্যেক নিয়ম অধিবেশন যিটো ত্ৰিশ দিন কালৰ বাবে চলি থাকে প্ৰণয়ন কৰাৰ পাছত সংসদৰ প্ৰত্যেক সদনৰ সন্মুখত যিমান সোনকালে পাৰি উপস্থাপন কৰা হব, যি কালছোৱা এক বা দুই বা অধিক ক্ৰমাগত অধিবেশনেৰে ভুক্ত হব পাৰে, আৰু যদি, অধিবেশনৰ অৱসানৰ আগতে ঠিক তাৰ পাছৰ অধিবেশনৰ বা পূৰ্বোক্ত ক্ৰমাগত অধিবেশনত উভয় সদনে নিয়মটোৰ যিকোনো পৰিবৰ্ত্তন কৰিবলৈ সন্মত হয় বা উভয় সদনে সন্মত হয় যে নিয়মটো প্ৰণয়ন কৰা অনুচিত, নিয়মটো, তাৰ পাছত কেৱল মাত্ৰ এনে পৰিৱৰ্ত্তিত ৰূপত প্ৰভাৱী হব বা প্ৰভাৱী নহব যথাস্থিতি, সেই বাবে, ইয়াৰ উপৰিও, এনে যিকোনো পৰিবৰ্ত্তন বা ৰদকৰণ সেই নিয়মৰ অধীনত পূৰ্বে কৰা যিকোনো বৈধতাৰ ওপৰত প্ৰতিকূল প্ৰভাৱ নপৰাকৈ হব।

নিৰসন আৰু ব্যাবৃত্তি।
১৯৩৭ৰ ৬,
১৯৪০ৰ ১০,
১৯৬১ৰ ৩০, ৪৫

৮৫। (১) মধ্যস্থতা (প্ৰ'টকল আৰু অভিসময়) অধিনিয়ম, ১৯৩৭, মধ্যস্থতা অধিনিয়ম, ১৯৪০ আৰু বিদেশী অধিনিৰ্ণয় (স্বীকৃতি আৰু বলবৎকৰণ) অধিনিয়ম, ১৯৬১ ইয়াৰ দ্বাৰা নিৰসিত হৈছে।

(২) এনে নিৰসন স্বত্বেও -

(ক) উক্ত অধিনিয়মিতিৰ উপবন্ধসমূহ মধ্যস্থতামূলক কাৰ্য্যবাহীৰ সম্বন্ধত প্ৰযোজ্য হব যিটো এই অধিনিয়মৰ বলবৎ হোৱাৰ আগতে বা পাছত প্ৰাৰম্ভণ হৈছিল যদি অন্যথা পক্ষসমূহৰ দ্বাৰা সন্মত নহয় কিন্তু এই অধিনিয়ম মধ্যস্থতা কাৰ্য্যবাহীৰ সম্বন্ধত প্ৰযোজ্য হব যিটো অধিনিয়মখন বলবৎ হোৱাৰ সময়ত বা পাছত কাৰ্য্যকৰী হয়।

(খ) সেই অধিনিয়মৰ অধীনত প্ৰণয়ন কৰা সকলো নিয়ম বা প্ৰকাশ কৰা অধিসূচনাসমূহ সেই বিস্তাৰলৈ যিমানলৈকে সেইবোৰ এই অধিনিয়ম অসংগত নহয় এই অধিনিয়মৰ অধীনত, যথাক্ৰমে প্ৰণয়ন কৰা বা জাৰী কৰা হৈছে বুলি গণ্য কৰা হব।

১৯৯৬ৰ অধ্যাদেশ ২৭।
১৯৯৬ৰ অধ্যাদেশ ২৭ৰ নিৰসন আৰু ব্যাবৃত্তি।

৮৬। (১) মধ্যস্থতা আৰু আপোচ (তৃতীয়) অধ্যাদেশ ১৯৯৬, ইয়াৰ দ্বাৰা নিৰসিত হৈছে।

(২) এনে নিৰসন স্বত্বেও, সেই অধ্যাদেশৰ যিকোনো উপবন্ধৰ অনুসৰি যিকোনো আদেশ, অধিসূচনা বা প্ৰণয়ন কৰা আঁচনি বা কৰা কোনো কাৰ্য্য বা লোৱা কোনো কাৰ্য্যব্যৱস্থা এই অধিনিয়মৰ তদনুৰূপ উপবন্ধ সমূহৰ অধীনত প্ৰণয়ন কৰা, কৰা বা লোৱা বুলি গণ্য কৰা হব।

-XXXX-